সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৭ সংখ্যা, ৩ আঘোণ , ৰবিবাৰ, ১৪২৯ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 47 Date Of Publication -20 November 2022 Rs.10.00/-

## গুজৰাট বিধানসভা নিৰ্বাচনৰ তাৰকা প্ৰচাৰকৰ ৰূপত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গৃহ ৰাজ্য গুজৰাট বিধানসভা নিৰ্বাচনৰ তাৰকা প্ৰচাৰকৰ ৰূপত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনক লৈ ড° হিমন্ত বিশ্ব শৰ্মাই অঞ্জৰ, আদিপুৰ আৰু কামৰেজৰ তিনিখন বিশাল নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰে। নিৰ্বাচনী সমাৰেশত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভূয়সী প্ৰশংসা কৰে। ভাষণত ড° শৰ্মাই কয়- ব্ৰিটিছে ভাৰত শাসন কৰিছিল। কিন্তু আজি প্ৰধানমন্ত্ৰী মোদীয়ে ব্ৰিটিছ অৰ্থনীতি অতিক্ৰম কৰিছে। মই বিশ্বাস কৰোঁ যে ২০২৯ চনৰ ভিতৰত ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতিৰ দেশ হ'ব। সম্প্ৰতি যিদৰে অৰ্থনীতি বিকশিত হৈ আছে, সেই ধাৰা

( দহ পৃষ্ঠাত চাওক)

## লাচিত ফুকন ! লাচিত ফুকন ! মোৰ স্বদেশৰ বীৰ

**ফখৰুদ্দিন আহমেদ**



অসমীয়া কাব্য জগতত "দোমাজাৰ কবি" হিচাপে খ্যাত দেৱকান্ত বৰুৱা দেব ৰচিত জনপ্ৰিয় কবিতা সমূহৰ অন্যতম এটি কবিতাৰ শিৰোনাম হৈছে "লাচিত ফুকন"। এই কবিতাটিত কবিয়ে জাতীয়তাবাদৰ অন্যতম ধ্বজাবাহক বীৰ লাচিত বৰফুকনৰ সাহস, বীৰত্ব আৰু বলিদানৰ কথা সোঁৱৰণ কৰাৰ লগতে সমসাময়িক অসমৰ অবক্ষয়ৰ এখনি বাস্তৱ প্ৰতিচ্ছবিও দাঙি ধৰিছে।

বোধহয় কবি দেৱকান্ত বৰুৱাৰ এই বিখ্যাত কবিতাটিৰ সোৱাদ নোলোৱাকৈ থকা অসমীয়া খুব কমেইহে ওলাব। অসম আৰু অসমীয়াৰ বাবে আহোমৰ ৰাজত্বৰ সময়ত লাচিত বৰফুকনে নিজৰ জন্মভুমিৰ বাবে আগবঢ়োৱা বলিদান অসমৰ ইতিহাসত চিৰদিন স্বৰ্ণীল আখৰেৰে উজ্জ্বলি থাকিব । এয়া নিত্যান্তই সত্য আৰু বাস্তৱ কথা। পিছে বিগত সময়ত এই গৰাকী বীৰ পুৰুষৰ বিষয়ে যি ধৰণে চিন্তা চৰ্চা নতুবা আলোচনা-পৰ্যালোচনাৰ প্ৰয়োজন আছিল সেয়া নিশ্চয় হোৱা নাই । এই কথাও ন দি উল্লেখ কৰিব পাৰি। সাম্প্ৰতিক সময়ত অসম চৰকাৰে উদ্যোগ লৈ তেখেতৰ চাৰি বছৰীয়া জন্ম জয়ন্তী উদযাপনৰ ব্যৱস্থা কৰি শিক্ষাৰ্থীৰ পৰা সাধাৰণ নাগৰিকলৈ সকলোকে জড়িত কৰিবলৈ গ্ৰহণ কৰা পদক্ষেপ সঁচাকৈয়ে আদৰণীয় হৈছে।

ইতিহাস প্ৰসিদ্ধ শৰাইঘাট। অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্য আৰু সম্পদেৰে ভৰপুৰ বৰ অসমলৈ দিল্লীৰ শাসনৰ গাদীত বহি থকা মোগল সম্ৰাট সকলৰ লোভ বহুত বেছি আছিল। সেই কাৰণেই বোধহয় দেশৰ ইতিহাসত মোগলে সোতৰ বাৰ অসম আক্ৰমণ কৰাৰ তথ্য পোৱা যায়। সেই সময়ত অসমৰ শাসনৰ গাদীত উপবিষ্ট আহোম স্বৰ্গদেউ সকলে যিমান পাৰে মোগলৰ আক্ৰমণক প্ৰতিহত কৰিবলৈ যত্নপৰ হৈছিল যদিও তাৰ মাজতে অসম আক্ৰমণকাৰী মোগলে অসমৰ গুৱাহাটী পৰ্যন্ত অধিকাৰ কৰাৰ ক্ষেত্ৰত সফলো হৈছিল। অসমৰ পৰা ধন, সোন লগতে ৰমণী গাভৰুকে ধৰি হাতী-ঘোৰা পৰ্যন্ত মোগল সম্ৰাটলৈ পঠাব লগা পৰিস্থিতিও হৈছিল আহোম স্বৰ্গদেউৰ। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত অসমৰ সিংহাসনত উপবিষ্ট হোৱা স্বৰ্গদেউ চক্ৰধ্বজ সিংহই মোগলৰ পৰা অসম উদ্ধাৰ কৰাৰ পণ লৈ উপযুক্ত ভাবেই বীৰ লাচিত বৰফুকনক প্ৰধান সেনাপতি পদত নিযুক্তি দিছিল। লাচিত বৰফুকনেও

(আঠপৃষ্ঠাত চাওক)

### সম্পাদকীয়ঃ

## মোক নাৰত শুৱাই দিয়া, মই বঙালৰ লগত যুদ্ধ কৰিম। মোক বঙালে ধৰি লৈ যাওঁক, তোমালোক ঘৰলৈ গৈ সুখেৰে থাকা।



অসমৰ ইতিহাসৰ এক বৰ্ণিল অধ্যায় লাচিত বৰফুকন। ৰাজকীয়তাৰ লেখমানো অহংকাৰ নথকা বীৰপুত্ৰ লাচিত বৰফুকন আছিল সাহসৰ প্ৰতীক। কিন্তু দুখৰ বিষয় যে এইজনা বীৰৰ বিষয়ে আমি কিমান জানো? মোগলক ভেটিবলৈ একে ৰাতিতে গড় বন্ধা কামত গাফিলতি কৰাৰ বাবে একে ঘাপে মোমায়েকক শিৰচ্ছেদ কৰিছিল। তেওঁৰ মতে দেশতকৈ মোমায়েক ডাঙৰ নহয়। ইয়াৰ জড়িয়তে দেশপ্ৰেম, কৰ্তব্যনিষ্ঠাৰ আদৰ্শ দেখুৱাই থৈ গ'ল। দাক্ষিণাত্যত মহাৰাষ্ট্ৰৰ শিৱাজী মহাৰাজাৰ সমসাময়িক আছিল আমাৰ প্ৰসিদ্ধ বীৰজনা। কিন্তু ভাবিলে আচৰিত লাগে এইজনা বীৰৰ বিষয়ে আমাৰ বুৰঞ্জীত কিয় ইমান সবিশেষ কে জানিবলৈ পোৱা নাযায়। জনামতে বুৰঞ্জীৰ পাতৰ শুভাৰম্ভ আমাৰ দেশত আহোমসকল। কিন্তু সেই বুৰঞ্জীত এইজনা আহোমৰ পুত্ৰৰ বীৰত্বগাথাৰ বিষয়ে লিখাত ইমান থমকি ৰ'ল কিয়? নৰিয়া গাৰে যুদ্ধ কৰি মোগলক অসমৰ পৰা খেদি পঠাইছিল। তেওঁ নৰিয়া গাৰে যুদ্ধ কৰিবলৈ আহি আমাৰ অসমীয়া সৈন্যসকলক যিখিনি কৰুণ কিন্তু শিৰাই শিৰাই দেশপ্ৰেমৰ ভাব থকা বীৰত্বব্যঞ্জক কথা শুনাৰ লগে লগে অসমীয়া সৈন্যসকল শৰাইঘাট যুদ্ধত জপিয়াই পৰিছিল। ১৬২২ খ্ৰীষ্টাব্দত জন্মগ্ৰহণ কৰা এইজনা বীৰ পুৰুষৰ অসম চৰকাৰে এইবাৰ ৪০০ বছৰীয়া জয়ন্তী পাতিছে। সেইটো আমাৰ বাবে গৌৰৱৰ কথা। সকলো বিদ্যালয়তে ১৮-২৪ তাৰিখলৈকে লাচিত সপ্তাহ পাতিবলৈ দিয়া নিৰ্দেশাৱলী সচাই প্ৰশংসনীয়। কাৰণ ইয়াৰ জড়িয়তে আমাৰ নৱপ্ৰজন্মই তেওঁৰ বিষয়ে জানিবলৈ সুযোগ পাব। কৰ্মৰ প্ৰতি

( বাৰপৃষ্ঠাত চাওক)

# ৰাজপথত দপদপকৈ জ্বলিল এখন পালছাৰ বাইক



ৰঙিলী বাৰ্তাসেৱা- নিশা মহানগৰীৰ লখৰা বামুণপাৰাত ৰাজপথত দপদপকৈ জ্বলিল এখন পালছাৰ বাইক। জ্বলি ভস্মীভূত হয় বাইকখন।ধ্ৰুৱ বৰা নামৰ যুৱকজনে বাহনখন লৈ কৰ্তব্যলৈ ওলাই আহিছিল নিশা। যান্ত্ৰিক বিজুতিৰ ফলতে ৰাজপথতে জ্বলি উঠে বাহনখন। ভস্মীভূত হোৱা বাহনখনৰ নম্বৰ AS 03S 0095। স্থানীয় লোকৰ সহযোগত নিয়ন্ত্ৰিণ কৰা হয় জুই। পলমকৈ আৰক্ষী আৰু অগ্নিনিৰ্পাপক বাহিনীৰ লোক উপস্থিত হয় ঘটনাস্থলীত।

# দুধনৈত ভয়ংকৰ পথ দুৰ্ঘটনা



ৰঙিলী বাৰ্তাসেৱা- দুধনৈৰ ডাবলিত ভয়ংকৰ পথ দুৰ্ঘটনা। তীব্ৰবেগী বাহনে মহতিয়ালে ই-ৰিক্সা। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় একেটা পৰিয়ালৰে ৬ জন লোক।জানিব পৰা মতে, দুধনৈ ৰাস মহোৎসৱলৈ আহি থাকোঁতে এই দুৰ্ঘটনা সংঘটিত হয়।৩ জনক অতি সংকটজনক অৱস্থাত ভৰ্তি কৰোৱাৰ পিছত এগৰাকীয়ে হাস্পতালত মৃত্যুবৰণ কৰে।আন দুগৰাকীৰ অৱস্থা সংকটজনকবুলি তথ্যত প্ৰকাশ। দুৰ্ঘটনাটোত আহত হৈছে পূৰ্ণ চন্দ্ৰ দাস, বিকাশ দাস, দীপান্বিতা দাস, ললিতা ভৌমিক, প্ৰণৱজ্যোতি ৰাভা। ইয়াৰে শিল্পাশ্ৰী দাসৰ মৃত্যু হয়। গুৰুতৰভাৱে আহত পূৰ্ণ চন্দ্ৰ দাস আৰু গোলাপী দাসৰ অৱস্থাও অতি সংকটজনক বুলি জানিব পৰা গৈছে।

# বিজেপিৰ সৈতে হাত মিলালে জে পি পিয়ে



ৰঙিলী বাৰ্তাসেৱা- বিজেপিৰ সৈতে হাত মিলালে জে পি পিয়ে। যোৱা নিশা মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি মহেশ দেউৰীৰ নেতৃত্বাধীন জে পি পিয়ে বিজেপিৰ নেতৃত্বত গঠন হোৱা দেউৰী স্বায়ত্ত পৰিষদলৈ সমৰ্থন আগবঢ়াইছে। বিগত দুদিন ধৰি গুৱাহাটীত বাহৰ পাতি থকা জে পি পিৰ সাতজনকৈ নিৰ্বাচিত পাৰিষদে আজি নিশা মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে আৰু এই সাক্ষাৎকালতে বিজেপিৰ সৈতে মিত্ৰতাক চূড়ান্ত ৰূপ দিয়ে। বিজেপি মিত্ৰজোঁটে দখল কৰা দেউৰী স্বায়ত্তশাসিত পৰিষদত জে পি পিয়ে অংশগ্ৰহণ কৰিব। অৱশ্যে পৰিষদত জে পি পিৰ ভূমিকা কি হ'ব সেয়া এই বৈঠকত চূড়ান্ত হোৱা নাই। জে পি পিৰ সৈতে হোৱা বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে জে পি পি বিজেপিৰ সহযোগী হৈ থাকিব। বিজেপি নেতৃত্বাধীন পৰিষদলৈ জে পি পিয়ে সমৰ্থন আগবঢ়াব।

# প্ৰেয়সীৰ শৰীৰ ৩৫ টুকুৰাকৈ কাটি দিল্লীৰ বিভিন্ন স্থানত পেলালে যুৱকে





ৰঙিলী বাৰ্তাসেৱা- দিল্লীত শেহতীয়াকৈ সংঘটিত হোৱা এক শিহৰণকাৰী ঘটনা পোহৰলৈ আহিছে। প্ৰায় ৫ মাহ পূৰ্বে সংঘটিত হোৱা এই হত্যাকাণ্ডই এতিয়া দেশ জুৰি ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰেয়সীৰ শৰীৰ ৩৫ টুকুৰাকৈ কাটি দিল্লীৰ বিভিন্ন স্থানত পেলালে যুৱকে। দিল্লী আৰক্ষীয়ে এটা ৫ মাহ পুৰণি গোচৰ সমাধান কৰিছে আৰু এজন যুৱকক তেওঁৰ লিভ-ইন সঙ্গীক হত্যা কৰা, তাইৰ শৰীৰটো ৩৫ টুকুৰাকৈ কাটি পেলাই দিয়াৰ বাবে গ্ৰেপ্তাৰ কৰিছে। অভিযুক্তজনক আফতাব বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে এই ভয়ংকৰ হত্যাকাণ্ডৰ সকলো তথ্য। দিল্লী আৰক্ষীৰ মতে, আফতাব আমিন আৰু শ্ৰদ্ধা ৱাকাৰ মুম্বাইৰ একেটা কল চেণ্টাৰত কাম কৰিছিল। অৱশ্যে, ছোৱালীজনীৰ পৰিয়াল তাইৰ সম্পৰ্কত অসন্তুষ্ট আছিল। শ্ৰদ্ধা আৰু আফতাব দিল্লীলৈ আহিছিল য'ত তেওঁলোক দুয়ো একেলগে এটা ভাড়াঘৰত থাকিবলৈ আৰম্ভ কৰিছিল। শ্ৰদ্ধাই তাইৰ ফটোবোৰ নিয়মীয়াকৈ ফেচবুকত আপলোড কৰিছিল যাতে ছোৱালীজনীৰ পৰিয়ালৰ সদস্যসকলে তাইৰ বিষয়ে জানিব পাৰে। যেতিয়া শ্ৰদ্ধাই কেইদিনমানৰ বাবে ফেচবুকত একো পোষ্ট কৰা নাছিল, তাইৰ পৰিয়ালৰ সন্দেহ হৈছিল। তাৰ ঠিক পিছতে, শ্ৰদ্ধাই তাইৰ পৰিয়ালৰ ফোন কলৰ সঁহাৰি দিয়া বন্ধ কৰিলে। তাইৰ দেউতাক বিকাশ মদন তেওঁৰ জীয়েকক পৰীক্ষা কৰিবলৈ দিল্লীলৈ আহিছিল। তাত উপস্থিত হোৱাৰ পিছত তাইৰ দেউতাকে ফ্লেটটো বন্ধ কৰি থোৱা অৱস্থাত পাইছিল। তেওঁ মেহৰৌলি আৰক্ষীৰ কাষ চাপিছিল আৰু অপহৰণৰ অভিযোগ উত্থাপন কৰি এটা অভিযোগ দাখিল কৰিছিল। আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছিল আৰু পাঁচ মাহৰ পিছত তেওঁলোকে অভিযুক্তজনক গ্ৰেপ্তাৰ কৰে। সূত্ৰ অনুসৰি, ১৮ মে'ত অভিযুক্ত আফতাব আৰু শ্ৰদ্ধাৰ মাজত তৰ্ক হৈছিল। কাজিয়াৰ সময়ত, শ্ৰদ্ধাই চিঞৰি আছিল, সেয়েহে, তাইক নীৰৱ কৰিবলৈ আৰু তেওঁলোকৰ চুবুৰীয়াসকলে নুশুনিবলৈ, আফতাবে শ্ৰদ্ধাৰ মুখখন হেঁচি ধৰিছিল যাৰ বাবে তাই শ্বাসৰুদ্ধ হৈ মৃত্যুমুখত পৰিছিল। ইয়াৰ পিছত শ্ৰদ্ধাৰ দেহটো কাটি ৩৫ টুকুৰাত বিভক্ত কৰে। সেই আটাইবোৰ দেহৰ টুকুৰা এটা নতুন ফ্ৰীজত ৰাখে। আৰু প্ৰতিদিনেই সেই টুকুৰাবোৰ দিল্লীৰ বিভিন্ন স্থানত পেলাই যায়। এইদৰে ১৮ দিন পৰ্যন্ত শ্ৰদ্ধাৰ দেহৰ টুকুৰা দিল্লীৰ বিভিন্ন স্থানত পেলাই দিলে হত্যাকাৰী আফতাবে। ইফালে হত্যাকাৰী আফতাবে আৰক্ষীৰ আগত প্ৰকাশ কৰা মতে শ্ৰদ্ধাই আফতাবক প্ৰায়েই বিয়া পাতিবলৈ কৈ আহিছিল। এই প্ৰসংগত আলোচনা হ'লেই দুয়োৰে মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল।

# মিছন বসুন্ধৰা-২ ৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে




ৰঙিলী বাৰ্তাসেৱা- মিছন বসুন্ধৰা-১ ৰ সফলতাৰ পাছত মিছন বসুন্ধৰা-২ৰ শুভাৰম্ভ কৰে মুখ্য মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব

( পাঁচ পৃষ্ঠাত চাওক)

# গোলাঘাটৰ টেঙানীত ৰেলে মহতিয়াই নিলে এখন ডাম্পাৰঃ থিতাতে নিহত চালক







ৰঙিলী বাৰ্তাসেৱা- ১৪ তাৰিখে ৰাতিপুৱা ১০ মান বজাত গোলাঘাটৰ টেঙানী খকনগুৰিত উন্মোক্ত ৰেলৰে লেভেল ক্ৰচিঙত AS-03-BC 2565 নম্বৰৰ এখন ডাম্পাৰ ৰেলে মহতিয়াই নিয়ে।থিতাতে চালকজনৰ মৃত্যু হয় । জানিব পৰা মতে ডাম্পাৰখন দেৰগাওঁৰ আৰু চালকজন গোলাঘাট এৰেঙাপাৰৰ। উল্লেখ্য যে এই স্থানত পূৰ্বেও ৰেলে গাড়ী মহতিয়াই নিছে । এই ৰেল ক্ৰচিঙত গেট দিবৰ বাবে দল সংগঠনে দাবী জনাই আহিছে।

# উত্তৰ-পূৰ্বাঞ্চলক প্ৰাপ্য মৰ্যাদা, সন্মান আৰু সৰ্বাংগীণ উন্নয়ন প্ৰদান কৰিছে ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰেঃ সৰ্বানন্দ সোণোৱাল



ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা সৰ্বানন্দ সোণোৱালে আজি নগালেণ্ডৰ কহিমাত ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক দলীয় কাৰ্যালয় ভৱনৰ শুভ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। দলৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নড্ডাই ভাৰ্চুৱেলী উদ্বোধন কৰে এই ভৱনটো। অনুষ্ঠানত লগতে উপস্থিত থাকে বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা উত্তৰ-পূৰ্বৰ দলীয় সমন্বয়ক সম্বিত পাত্ৰ, ৰাষ্ট্ৰীয় যুটীয়া সাংগঠনিক সাধাৰণ সম্পাদক শিৱ প্ৰকাশ, নগালেণ্ড বিজেপিৰ সভাপতি টেমজেন ইমনা আলোং, সাংসদ এছ ফেংনন কন্যাক প্ৰমুখ্যে দলীয় বিষয়ববীয়া তথা বিভিন্ন প্ৰান্তৰ কাৰ্যকৰ্তাসকল। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সৰ্বানন্দ সোণোৱালে কয়, "কাৰ্যকৰ্তাসকল হৈছে আমাৰ দলৰ তৃণমূল শক্তিৰ আধাৰ। কাৰ্যকৰ্তাসকলৰ অদম্য কৰ্মস্পৃহা, সেৱা আৰু সমৰ্পিত মনোভাৱে বিজেপিৰ শক্তি দিনে-দিনে বৃদ্ধি কৰাত সবল ভূমিকা পালন কৰি আহিছে। বিজেপি নগালেণ্ডৰ সাংগঠনিক কাম-কাজ অধিক সংঘবদ্ধ আৰু সুচাৰুভাৱে আগুৱাই নিয়াত সহায় কৰিব শুভ উদ্বোধন হোৱা দলীয় ৰাজ্যিক কাৰ্যালয় ভৱনটোৱে। ভৱনটো আনুষ্ঠানিকভাৱে মুকলি কৰি কাৰ্যকৰ্তাসকলক উৎসাহিত কৰাৰ বাবে মাননীয় ৰাষ্ট্ৰীয় অধ্যক্ষ শ্ৰী জে পি নড্ডা ডাঙৰীয়াক মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।" তদুপৰি সোণোৱালে কয়, "ৰাইজৰ আশীৰ্বাদ আৰু অকুণ্ঠ সমৰ্থন শিৰত লৈ ভাৰতীয় জনতা পাৰ্টি এতিয়া কেৱল ভাৰতৰে নহয়, বিশ্বৰ সৰ্ববৃহৎ ৰাজনৈতিক দল হিচাপে পৰিগণিত হৈছে। দলটোক সেৱা আৰু সমৰ্পণৰ মাধ্যম হিচাপে লৈ ৰাষ্ট্ৰ নিৰ্মাণৰ যাত্ৰাত সবল ভূমিকা গ্ৰহণ কৰিবলৈ কাৰ্যকৰ্তাসকলক মই আন্তৰিকতাৰে আহ্বান জনালোঁ।" " প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কল্যাণকামী পদক্ষেপসমূহে বিগত আঠটা বছৰত দেশত উন্নয়নৰ নৱজাগৰণৰ সূচনা কৰিছে। পূৰ্বতে আগৰ চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলক অৱহেলা কৰাৰ বাবে সমগ্ৰ অঞ্চলটো যথেষ্ট পিছপৰি ৰৈছিল। কংগ্ৰেছ চৰকাৰে উত্তৰ-পূৰ্ববাসীক গুৰুত্ব নিদিয়াৰ উপৰি কেতিয়াও আপোন বুলি ভবা নাছিল। কিন্তু মোদীয়ে প্ৰধানমন্ত্ৰী হিচাপে শাসনভাৰ লৈয়েই উত্তৰ-পূৰ্বাঞ্চলক দেশৰ প্ৰগতিৰ নতুন ইঞ্জিন আৰু অষ্টলক্ষ্মী আখ্যা দিলে। তেখেতৰ বলিষ্ঠ নেতৃত্বত এতিয়া উত্তৰ-পূৱত স্থায়ী শান্তি তথা সৰ্বাংগীণ উন্নয়নৰ পথ প্ৰশস্ত হৈছে। নগালেণ্ডতো বিগত কেইবছৰত অভূতপূৰ্ব পৰিৱৰ্তনৰ সূচনা হৈছে, যাৰ ফলত সৰ্বস্তৰৰ ৰাইজৰ আস্থা, বিশ্বাস বিজেপিৰ প্ৰতি দিনে-দিনে বৃদ্ধি পাইছে।" বিজেপিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নড্ডাৰ দিহা-পৰামৰ্শক সাৰোগত কৰি দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ দিশত আগভাগ ল'বলৈও উপস্থিত সকলোকে সোণোৱালে আহ্বান জনায়। নগালেণ্ড বিজেপিৰ অত্যাধুনিক দলীয় কাৰ্যালয় ভৱনটো ভাৰ্চুৱেলী মুকলি কৰি ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নড্ডাই কয়, "দেশবাসীৰ অফুৰন্ত সমৰ্থনৰ বাবে ভাৰতীয় জনতা পাৰ্টি সবাতোকৈ জনপ্ৰিয় দল হিচাপে পৰিগণিত হৈছে। দেশৰ সৰ্বস্তৰৰ লোকৰ মাজতে বিজেপিৰ গ্ৰহণযোগ্যতা শক্তিশালী ৰূপত অটুট আছে। এইক্ষেত্ৰত নগালেণ্ডো ব্যতিক্ৰম নহয়। বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰে নগালেণ্ডত আমূল পৰিৱৰ্তনৰ ৰূপত অটুট আছে। এইক্ষেত্ৰত নগালেণ্ডো ব্যতিক্ৰম নহয়। বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰে নগালেণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে। আজি নগালেণ্ডত উত্তৰ-পূৱৰ এটি অন্যতম বৃহৎ দলীয় কাৰ্যালয় মুকলি কৰিবলৈ পাই মই আনন্দিত হৈছোঁ। আমি সমগ্ৰ দেশতে ৫১২টা অত্যাধুনিক দলীয় কাৰ্যালয় মুকলি কৰাৰ যি প্ৰচেষ্টা গ্ৰহণ কৰিছোঁ, তাৰ ভিতৰত বিজেপি নগালেণ্ডৰ ভৱনটো ২৩৭তম কাৰ্যালয় ভৱন। দলৰ সাংগঠনিক কাম-কাজ অধিক সবল আৰু সংঘবদ্ধ ৰূপত আগুৱাই নিয়াত এই ভৱনে কাৰ্যকৰ্তাসকলক সহায় তথা উৎসাহিত কৰিব বুলি মই আশাবাদী।

# বিশ্বৰ জনসংখ্যাই অতিক্ৰম কৰিব ৮ বিলিয়ন



ৰঙিলী বাৰ্ত্তাসেৱা- এক নতুন ইতিহাস ৰচাৰ দিশে সমগ্ৰ বিশ্ববাসী। বিশ্বৰ জনসংখ্যাই ৮ বিলিয়ন অতিক্ৰম কৰিব। ৰাষ্ট্ৰসংঘৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদন অনুসৰি, মঙলবাৰে ১৫ নৱেম্বৰ, ২০২২ বিশ্বব্যাপী জনসংখ্যা ৮ বিলিয়ন অতিক্ৰম কৰিব বুলি অনুমান কৰা হৈছে। বিশ্ব জনসংখ্যা সম্ভাৱনা ২০২২ অনুসৰি ভাৰতে ২০২৩ চনত বিশ্বৰ আটাইতকৈ জনবহুল দেশ হিচাপে চীনক অতিক্ৰম কৰিব। যাৰ ফলত ভাৰত বিশ্বৰ আটাইতকৈ জনবহুল দেশ হৈ পৰিব। ৰাষ্ট্ৰসংঘৰ শেহতীয়া অনুমান অনুসৰি বিশ্বব্যাপী জনসংখ্যা ২০৩০ চনত প্ৰায় ৮.৫ বিলিয়ন, ২০৫০ চনত ৯.৭ বিলিয়ন আৰু ২১০০ চনত ১০.৪ বিলিয়নলৈ বৃদ্ধি হ'ব পাৰে। ২০৫০ চনৰ ভিতৰত বিশ্বৰ জনসংখ্যা প্ৰায় ১০ বিলিয়নলৈ বৃদ্ধি হ'ব পাৰে। উল্লেখযোগ্য যে, সময়ৰ লগে লগে বিশ্বৰ আটাইতকৈ দৰিদ্ৰ দেশবোৰৰ মাজত বিশ্বব্যাপী জনসংখ্যা বৃদ্ধি ক্ৰমান্বয়ে কেন্দ্ৰীভূত হৈ পৰিছে, যাৰ বেছিভাগ উপ-সাহাৰা আফ্ৰিকাত আছে। এই দেশবোৰত, নিৰন্তৰ দ্ৰুত জনসংখ্যা বৃদ্ধিয়ে বহনক্ষম উন্নয়ন লক্ষ্য (এছ.ডি.জি.) প্ৰাপ্ত কৰাটো বিফল কৰিব পাৰে।

# ধূলা কাণ্ডত গ্ৰেপ্তাৰ হোৱা তিনি চিকিৎসকৰ জামিন মঞ্জুৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ধূলা কাণ্ডত গ্ৰেপ্তাৰ হোৱা তিনি চিকিৎসকৰ জামিন মঞ্জুৰ কৰা হৈছে। তিনি অভিযুক্ত চিকিৎসক ডাঃ অজন্তা বৰদলৈ, ডাঃ অনুপম শৰ্মা আৰু ডাঃ অৰুণ ডেকাৰ জামিন গুৱাহাটী উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰে। ৮ নৱেম্বৰত তিনিওগৰাকী গ্ৰেপ্তাৰ কৰা হৈছিল। এগৰাকী বনকৰা কিশোৰীৰ হত্যাকাণ্ডৰ গোচৰত তিনিওকে গ্ৰেপ্তাৰ কৰা হৈছিল। তিনিওগৰাকী চিকিৎসকে কিশোৰীগৰাকীৰ হত্যাকাণ্ডৰ ভুৱা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন দিছিল। উল্লেখযোগ্য যে, কিশোৰীৰ হত্যাকাণ্ডক আত্মহত্যাৰ ৰূপ দিবলৈ গৈ গ্ৰেপ্তাৰ হৈছিল তিনি চিকিৎসকসহ ৩ গৰাকী আৰক্ষী বিষয়া। কিন্তু চি আই ডিয়ে মৃতদেহ মাটি খান্দি পুনৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰাৰ পাছত পোহৰলৈ আহিছিল ভুৱা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন।

# গুৱাহাটী প্ৰেছ ক্লাবত পূৰ্বায়ন প্ৰকাশনৰ উদ্যোগত গ্ৰন্থ উন্মোচনী সভা




ৰঙিলী বাৰ্ত্তাসেৱা-আগশাৰীৰ প্ৰকাশন পূৰ্বায়ান প্ৰকাশনৰ উদ্যোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত বিশিষ্ট চিকিৎসক তথা লেখক ডাঃ ৰবীন মজুমদাৰৰ লঘু-ব্যংগ গ্ৰন্থ "ন'পাৰ্কিং" আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ইপিনে গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে ক্ৰমে বিশিষ্ট শিক্ষাবিদ তথা অনুবাদক গায়ত্ৰী ভট্টাচাৰ্য, খ্যাতিনামা সাংবাদিক তথা ৰাজনৈতিক বিশ্লেষক প্ৰশান্ত ৰাজগুৰু, চিকিৎসক তথা বিশিষ্ট কথা শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে। নিজৰ উন্মোচনী ভাষণত ৰাজগুৰুৱে কয় যে সাহিত্যৰ ক্ষেত্ৰত আটাইতকৈ কঠিন কাম হৈছে ব্যংগ ৰচনা সৃষ্টি আৰু এনে ধৰণৰ জটিল কাম এটা নিৰৱচ্ছিন্নভাৱে কৰি অহা বাবে ডাঃ মজুমদাৰ ধন্যবাদৰ পাত্ৰ। তেওঁ লগতে ইয়াকো কয় যে অসমীয়া সাহিত্য পাঠকৰ লগত ব্যংগ লেখকৰ পৰিমাণ কম। আনহাতে আজিৰ গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত গ্ৰন্থখনৰ বিষয়বস্তু সন্দৰ্ভত মন্তব্য আগবঢ়াই গ্ৰন্থখনৰ প্ৰকাশক তথা পূৰ্বায়ন প্ৰকাশনৰ স্বত্বাধিকাৰ ডঃ অমৃত কুমাৰ উপাধ্যায়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে প্ৰকাশিত ডাঃ ৰবীন মজুমদাৰৰ ফাণাপৰ দেশত গ্ৰন্থখনে যথেষ্ট সমাদৰ লাভ কৰিছে।

# পত্নীৰ প্ৰতি স্বামীৰ দায়িত্ব

**কল্পনা দত্ত**



হোমৰ গুৰিক সাক্ষী কৰি এজনী ছোৱালীক এজন ল'ৰাই চিৰদিনৰ বাবে নিজৰ কৰি লোৱাৰ পাছৰ পৰাই ছোৱালীজনী পত্নীধৰ্ম পালন কৰিবলৈ আগবাঢ়ি আহে। সম্পূৰ্ণ নতুন পৰিৱেশ এটাত মিলি যাবলৈ চেষ্টা কৰে। মাক - দেউতাকৰ মৰমৰ মাজত ডাঙৰ - দীঘল হৈ বুজন বয়সত স্বইচ্ছাৰে আন এখন ঘৰলৈ আহি নিজক সেইখন ঘৰৰ মানুহ, পৰিৱেশৰ লগত মিলিবলৈ হয়তো ভগৱানে নাৰীজাতিক ধৈৰ্য, সহনশীলতা, মানসিক শক্তি দিছে। এজন মানুহৰ ভৰসাতে সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ কামনাৰে তেওঁ সম্পূৰ্ণ নতুন পৰিৱেশ এটিলৈ ৰাওনা হয়। পিতৃ-মাতৃ, ভাতৃ-ভগ্নী, আত্মীয় - স্বজন সকলোকে এৰি আহি ভিতৰি শংকিত হৈ নথকা নহয়, কিয়নো নতুন ঘৰ এখনত, নতুন ঘৰৰ মানুহবোৰৰ লগত মিলিব পাৰিব নে নাই এই সকলো ছোৱালাজনীয়ে এৰা-ধৰা কৰিব লগা হয়।

এখন ঘৰলৈ আহি ছোৱালীজনীয়ে নিজৰ স্বামীৰ পৰা মৰম, আদৰ-যত্ন বিচাৰে। তাই বিচাৰে নতুন জীৱনটি যেন সুকলমে, সুস্থিৰভাৱে আগবঢ়াই নিবলৈ স্বামীয়ে সহায় কৰে। সকলো দিশতে যেন স্বামীৰ হাতত হাত থৈ আগবাঢ়িব পাৰে, সৰু সৰু আকাংক্ষাবোৰ, আশাবোৰ, সপোনবোৰ বাস্তৱত ৰূপায়িত কৰিবলৈ স্বামীৰ সহযোগিতা কামনা কৰে।

তদুপৰি পত্নীগৰাকীৰ সকলো প্ৰয়োজন পূৰণ কৰিব নোৱাৰিলেও সাধ্যানুযায়ী কৰিবলৈ চেষ্টা কৰিব লাগে। স্বামীজনে পত্নীৰ সহযোগিতা অবিহনে এখন ঘৰ নিয়াৰিকৈ চলাই নিয়াটো অসম্ভৱ। স্বামীগৰাকীয়ে চেষ্টা কৰিব লাগে, যাতে নৱবিবাহিতাগৰাকীয়ে ঘৰখনৰ লগত মিলি যাব পাৰে। এগৰাকী পত্নী-স্বামীৰ জীৱনসংগী হৈ আহে, গোটেই জীৱন স্বামীৰ কাষে কাষে ছাঁটোৰ দৰে থিয় দি স্বামীৰ জীৱনৰথ আগবঢ়াই নিবলৈ সহায় কৰে। পত্নী এগৰাকীয়ে সময়ত স্বামীক মাতৃসুলভ মৰমেৰে ওপচাই ৰাখে, খোৱা-লোৱাৰ তদাৰক কৰাৰ উপৰি তেওঁৰ শৰীৰৰ যত্নও লয়। তদুপৰি ঘৰখন নিয়াৰিকৈ চলাবলৈ দায়িত্ববোধ লৈ এগৰাকী পিতৃৰ ভূমিকাও পালন কৰে পত্নীগৰাকীয়ে।

মাজে মাজে ভগ্নীৰ খং-অভিমান, অভিযোগ কৰি মৰমেৰে দায়িত্ব জ্ঞানবোৰ সকীয়াই দিয়ে। ভাতৃৰ দৰে বিপদ - আপদ, সমস্যা আদিৰ সমাধান দিয়াৰ লগতে স্বামীক সাহস দিয়ে পত্নীগৰাকীয়ে। কেতিয়াবা আকৌ জীয়াৰীৰ দৰে খং, অভিমান, বয়-বস্তুৰ দাবী কৰি স্বামীৰ ওচৰত আদৰ-মৰম বিচাৰে।

সকলো কাম- কাজ সামৰি শেষত স্বামীৰ ওচৰত এগৰাকী প্ৰেয়সীৰ ৰূপত নিজক বিলীন কৰি দিয়ে। পত্নীগৰাকী সদায় স্বামীৰ ভাল বান্ধৱী হৈ থাকিব বিচাৰে, যাতে সকলো কথা মুকলিকৈ ক'ব পাৰে, আলোচনা কৰিব পাৰে, তেনে এটি পৰিৱেশ বিচাৰে। মুঠতে পত্নী এগৰাকীয়ে স্বামীৰ ওচৰত পিতৃ-মাতৃ, ভাতৃ-ভগ্নী, বন্ধু, প্ৰেয়সী সকলোৰে ভূমিকা পালন কৰে। ঘৰখনৰ লক্ষ্মীৰ ৰূপত পত্নীগৰাকীক স্থান দিয়া হয়। তেওঁৰ ওপৰত ঘৰ এখনৰ সুখ-দুখৰ চাবিকাঠী থাকে।

নতুনকৈ বিয়া হৈ অহা ছোৱালীজনী সময়ত মাতৃ হ'বলৈ ওলায়। নানা সমস্যাৰ মাজেৰে আগবাঢ়িব লাগে গৰ্ভধাৰণৰ দীঘলীয়া সময়ছোৱা। শাৰীৰিক তথা মানসিক পৰিৱৰ্তন ঘটে এই কঠিন সময়ছোৱাত। এই স্পৰ্শকাতৰ সময়ছোৱাত

(আঠ পৃষ্ঠাত চাওক)

# কণমইনাৰ প্ৰাৰ্থনা

**মাধুৰী শৰ্মা সভাপণ্ডিত**




শ্ৰমৰ বোজা পিঠিত লৈ
গলিটোত সৰি আছে
আজিও কণমইনাৰ হুমুনিয়াহ।
অঘৰী বাটটোত
পাকঘূৰণি খাই
সূতা ছিগা চিলাৰ দৰে
আজিও তাৰ সপোন থানবান
আই-পিতাই নোহোৱাৰে পৰা
যাতনাৰ ভাৰ বৈ
এলান্ধুকলীয়া দুভৰিত
বঞ্চনাৰ এটি এটি বাট।
কোনো আঁচনিয়ে তাক
দিব নোৱাৰিলে
এধানি সুখৰ সংবাদ।
পঢ়াশালিৰ দুৱাৰদলিত
উৰি থকা পোহৰ জুমি চাই
বুকুত উঠে উচুপনি।
ল'ৰালি বিৰ্সজি সি
তাহানিতে পিঠিত চাব মাৰি লৈছিল
এটি নাম'বন কৰা ল'ৰা'।
শূন্য জীৱন-কেৱল হতাশা
পূৰ্ণিমাৰ জোন জ্বলা ৰাতি
আজিও মনত পৰে
গাঁওৰ গধূলি।
ভাওনাৰ বচন আওৰাই থাকোতেই
নাট-পাঠশালা সকলো এৰি
পিতাকৰ ঔষধ-আয়েকৰ মুখত ভাত দিবলৈ
গুচি আহিছিল-আপোন ঘৰ এৰি।
নতুন সাজ পিন্ধা সমনীয়াৰ উথপথপ দেখি
আজি তাৰ বুকুত নাই অগনি।
শিল বান্ধি আকাশলৈ চাই
মাথো কৰিছে মিনতি-
দিয়া-দিয়া সকলো শিশুক শকতি।
মমতা আৰু শান্তি।

# নিশাচৰ পক্ষী ফেঁচা

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**



পক্ষী জগতৰ এক সুকীয়া ৰহস্য জনক চৰাই হৈছে ফেঁচা। আন আন চৰাইৰ দৰে দিনৰ ভাগত আমি ফেঁচা উৰি ফুৰা দেখিবলৈ নাপাওঁ। দিনৰ ভাগত সিহঁত গছৰ খোৰোং, শিলৰ ফাঁক অথবা ফেৰেঙনিৰ ছাঁত টোপনি মাৰি থাকি আন্ধাৰ হোৱালৈ অপেক্ষা কৰি থাকে। যিহেতু ফেঁচাই দিনত চকা-মকাকৈ হে দেখা পায় সেয়ে আন্ধাৰ হোৱাৰ লগে লগেই চিকাৰৰ সন্ধানত ব্যস্ত হৈ পৰে। ওখ গছ, পুৰণি অট্টালিকাৰ ধ্বংসাৱশেষ আৰু পকী ঘৰৰ মুধচত পৰি ফেঁচাই চিকাৰৰ অনুসন্ধান কৰে। ফেঁচাৰ দৃষ্টিশক্তি অতি প্ৰখৰ। পথাৰত ঘূৰি ফুৰা নিগনি, এন্দুৰ, শস্যনাশক ফৰিং- গান্ধী পোক আনকি ৰাতিৰ আন্ধাৰত জিৰণি লোৱা চৰাই বোৰো ওখ গছৰ পৰা চাই থাকি ছোঁ মাৰি গৈ সুদৃঢ় হাতোৰা আৰু তীক্ষ্ণ নখেৰে সহজতে ধৰি গিলি থয়। সেয়ে ফেঁচাক "কৃষক বন্ধু" বুলি কোৱা হয়। ফেঁচাই মূৰতো ৩৬০° অৰ্থাৎ সম্পূৰ্ণকৈ ঘূৰাব পাৰে। তাৰোপৰি উচ্চ শ্ৰৱণ শক্তি, নিঃশব্দে নীৰৱে উৰিব পাৰে বাবে চিকাৰ বোৰে একো উমান নাপায়।

দিনৰ পোহৰ সহ্য কৰিব নোৱাৰা ফেঁচাই ৰাতি কেনেকৈ দেখা পায় বাৰু! আচৰিত নালাগেনে? আমি বস্তু এটা দেখা পাবলৈ হ'লে চকুৰ মণিৰ পাছফালে থকা ৰেটিনাত (পৰ্দাত) বস্তুটোৰ পৰা পোহৰ গৈ চকুৰ মণিত পৰি প্ৰতিসৰিত হৈ (পাৰ হৈ) ৰেটিনাত বস্তুটোৰ প্ৰতিবিম্ব গঠন হয় আৰু স্নায়ুৰ সহায়ত এই সংকেত মগজুলৈ যায়। তাৰ পিছত মগজুৱে ছবিৰ হুবহু ধাৰণা দিয়ে। ফেঁচা চকুৰ গঠন মানুহ বা আন প্ৰাণীতকৈ কিছু পৃথক। ফেঁচাৰ চকুৰ মণিৰ পৰা ৰেটিনাৰ দূৰত্ব আমাতকৈ বহুত বেছি। ফলস্বৰূপে ফেঁচাৰ ৰেটিনাত ছবিটো ডাঙৰকৈ গঠন হয়। তদুপৰি ইহঁতৰ চকুত "পেক্টেন্" নামৰ বিশেষ অংগ এটা আছে। এই অংগই সকলো ছবি স্পষ্টকৈ পৰাত সহায় কৰে। আমাৰ চকুৰ পৰা মগজুলৈ প্ৰতিবৰ্গ মিলি মিটাৰত দুহেজাৰ ডাল স্নায়ু আছে। কিন্তু ফেঁচাৰ দহ হাজাৰ ডাল স্নায়ু আছে। এই তথ্যৰ পৰাই জানিব পাৰি যে ফেঁচাৰ দৃষ্টিশক্তি আমাতকৈ পাঁচ গুণ বেছি। ইয়াৰ উপৰিও ফেঁচাৰ চকুত এবিধ ৰঙচুৱা ৰাসায়নিক পদাৰ্থ আছে। এইবোৰে কোনো বস্তু চাব পৰা ক্ষমতা আমাতকৈ পাঁচ গুণ বঢ়াই দিয়ে। সেয়ে ফেঁচাই ৰাতিৰ ক্ষীণ পোহৰতো স্পষ্টকৈ দেখা পায়। অথচ দিনৰ পোহৰ চকা-মকা! কাৰণ টো কি জানা! আমি যেনেকৈ বেছি পোহৰ চাব নোৱাৰোঁ বা চকু চাট মাৰি ধৰে তেনেদৰে কম শক্তিৰ পোহৰৰ প্ৰতি সুসংবেদী ফেঁচাৰ চকুত দিনৰ বেছি শক্তিৰ পোহৰ পৰিলে মগজুৰে অনুভূতি যোগোৱাত খেলি মেলি হয়। সেয়ে ফেঁচাক দিনকণা বুলি কোৱা হয়। ভৰ দুপৰীয়া বাহিৰৰ ৰ'দৰ পৰা ভিতৰলৈ সোমাই আহিলে আমাৰ কেনেকুৱা লাগে বাৰু? ভিতৰৰ বস্তুবোৰ দেখা পাওঁ নে?

৩ আঘোণ ১৪২৯ চন Rongili Barta, Date of Publication--20 November,2022

# মিছন বসুন্ধৰা-২ ৰ শুভাৰম্ভ

শৰ্মাই এই আঁচনি মুকলি কৰে। এই আঁচনিৰ জৰিয়তে ঘৰত বহিয়েই অনলাইনৰ জৰিয়তে যিকানো লোকে নিৰ্ধাৰিত সেৱাসমূহৰ বাবে আবেদন জনাব পাৰিব। মিছন বসুন্ধৰা ২ৰ অধীনত সাধাৰণ চৰকাৰী আৰু চিলিং চৰকাৰী ভূমিৰ পট্টন অৰ্থাৎ এই সেৱাৰ জৰিয়তে অসম চৰকাৰৰ প্ৰচলিত ভূমি নীতিৰ আধাৰত খিলঞ্জীয়া ভূমিহীন পৰিয়ালক সাধাৰণ খেতি আৰু ঘৰ বস্তিৰ বাবে সাধাৰণ চৰকাৰী আৰু চিলিং চৰকাৰী ভূমিৰ পট্টনৰ ব্যৱস্থা কৰি ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। মিছন বসুন্ধৰা-২ৰ কাম অহা ৩১ ডিচেম্বৰলৈ চলিব। এই আঁচনিৰ জৰিয়তে চৰকাৰী মাটি, ভিলেজ গ্ৰেজিং ৰিজাৰ্ভ (ভি জি আৰ) আৰু প্ৰফেছনেল গ্ৰেজিং ৰিজাভৰ (পি জি আৰ) মাটিত বসবাস কৰি অহা খিলঞ্জীয়া লোকসকলক মাটিৰ পট্টা প্ৰদান কৰা হ'ব। এই আঁচনিৰ দ্বাৰা জনজাতীয় লোকক স্থায়ী উত্তৰাধিকাৰী সূত্ৰে আৰু হস্তান্তৰযোগ্য অধিকাৰ প্ৰদানৰ বাবে ভূমি নীতি শিথিল কৰা হ'ব। ভূমি নীতি-২০১৯ শিথিল কৰি বিশেষকৈ চাহ, কফি আদি খেতি কৰা খেতিয়কৰ মাটি সম্পৰ্কীয় বিষয়বোৰ নিষ্পত্তি কৰা হ'ব। ভূমি ৰাজহ, স্থানীয় কৰ আৰু অন্যান্য মাচুল অনলাইন পৰিশোধৰ ক্ষেত্ৰত ই-খাজনাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰি সংঘবদ্ধ ভূমি হস্তান্তৰ বাবে স্বয়ংক্ৰিয় নামজাৰি ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। ইয়াৰ উপৰি অস্থায়ীভাবে বসতি স্থাপন কৰা এলেকাৰ দখলদাৰী আৰু ৰায়তসকেল এই অভিযান কালতে অসম লোকসেৱা প'ৰ্টেলৰ জৰিয়তে ভূমি স্বত্ব লাভ কৰিব পাৰিব।

# জোঁৱায়েকক ঘপিয়াই হত্যা কৰিলে শহুৰেকে

ৰঙিলী বাৰ্ত্তাসেৱা- শহুৰেকৰ দাৰ ঘাপত প্ৰাণ গ'ল জোঁৱাইয়েকৰ। শিৱসাগৰ জিলাৰ ঘিলাগুৰি গাঁৱত সংঘটিত হৈছে এই ঘটনা। মুজামিল খান নামৰ জোঁৱাইকক শহুৰেক জেহেৰুদ্দিন আহমেদে হত্যা কৰে। জোঁৱায়েকক হত্যা কৰি হত্যাকাৰী জেহিৰুদ্দিন আহমেদে শিৱসাগৰ সদৰ থানাত আত্মসমৰ্পণ কৰে। ঘটনা সন্দৰ্ভত জানিব পৰা অনুসৰি দীৰ্ঘদিনৰে পৰা মুজামিল খানে পত্নীক শাৰীৰিক-মানসিক অত্যাচাৰ চলাই আহিছিল। যোৱা নিশাও শহুৰেকৰ ঘৰত প্ৰৱেশ কৰি জোঁৱায়েক মুজামিল খানে সা-সামগ্ৰী ভাঙি উপদ্ৰৱ চলাইছিল। ফলত অতিষ্ঠ হৈ শহুৰেকে এই হত্যাকাণ্ড সংঘটিত কৰে। জোঁৱাইয়েকৰ অত্যাচাৰত অতিষ্ঠ শহুৰেকে জোঁৱায়েকক ঘপিয়াই হত্যা কৰা এই ঘটনাই সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে।



# আমি বাৰু সুখীনে?

**কবিতা শৰ্মা দিল্লী**



আজি কিছুদিন আগতে মোৰ বান্ধৱী এগৰাকীয়ে শ্বেয়াৰ কৰা এটা জীৱনমুখী ভিদিওই মোৰ অন্তৰত গভীৰ ভাবে সাঁচ বহুৱালে ।প্ৰায়ে ভবাৰ দৰে পুনৰ বাৰ ভাবিবলৈ বাধ্য হলো প্ৰকৃততে বাৰু সুখ কি ? সুখৰ পৰিভাষাই বা কি? সুখৰ বিষয়ে নিশ্চিত ভাবে কিবা কোৱাৰ আগতে সেই ভিদিও টোৰ বিষয় বস্তুৰ বিষয়ে কিছু কব বিচাৰিছো । এবাৰ এটা চিনেমা ঘৰত দহমিনিট দৈৰ্ঘ্যৰ এখন চিনেমা মুক্তি পালে । কেইবাটাও জাতীয়, আন্তৰ্জাতিক পুৰস্কাৰ পাপ্ত চিনেমা খনক পৃথিৱীৰ শ্ৰেষ্ঠ চিনেমা হিচাপে ঘোষণা কৰা হৈছিল ।এনে এখন ছবি চাবলৈ সকলো মানুহ আগ্ৰহী হৈ হৈ পৰিল।হল ভৰ্তি মানুহ সকলোৰে উৎসুকতাৰে বাট চাই ৰ'ল চিনেমা আৰম্ভ হোৱালৈ । যথাসময়ত চিনেমা আৰম্ভ হ'ল।প্ৰথম দৃশ্যত দেখোৱা হ'ল এখন চিলিং। মানুহবোৰে মনোযোগেৰে চাবলৈ আৰম্ভ কৰিলে । সকলো উত্তেজিত পাছৰ দৃশ্য চাবলৈ । এক মিনিট .. দুই মিনিট .. গ'ল কিন্তু দৃশ্য সলনি নহল । মানুহবোৰে ভাবিলে .. কি হ'ল, দৃশ্য সলনি নহয় কিয় ? কিবা যান্ত্ৰিক বিজুতি ঘটিল নেকি? তিনি মিনিট ..ছাৰি মিনিট .. পাচ মিনিট গ'ল তথাপিও দৃশ্য সলনি নহ'ল ।মানুহবোৰ এতিয়া অধৈৰ্য্য হ'ল, হতাশ হৈ পৰিল, আশে পাশে চাবলৈ আৰম্ভ কৰিলে, কিছু সংখ্যকে চিঞৰিবলৈ ধৰিলে । হ'ল কি ? ধেমালি নেকি? ছয়...সাত.. আঠ.. ন মিনিট গ'ল। তথাপিও দৃশ্য সলনি নহ'ল । মানুহবোৰৰ তেতিয়ালৈ ধৈৰ্য্যৰ বান্ধ হেৰাই গ'ল ।গালি শপনি, ভঙা-চিঙা আৰম্ভ হ'ল । বহুত মানুহ চিনেমা ঘৰ এৰি বাহিৰলৈ যাব আৰম্ভ কৰিলে। দহ মিনিট হ'ল ।দৃশ্যপট সলনি হ'ল দেখা গ'ল এজন ডেকা মানুহ হস্পিতালৰ বিছনাত শুই ওপৰলৈ চাই আছে ।এই দৃশ্য দেখি মানুহৰ মাজত নিস্তব্ধতা বিৰাজ কৰিলে। দৃশ্য পুনৰবাৰ সলনি হ'ল। চিলিঙৰ দৃশ্য আকৌ এবাৰ ঘূৰি আহিল । তাৰ তলত লেখা আছিল চাওক, আপোনালোকে এই দৃশ্য দহ মিনিটো চাব নোৱাৰিলে ।আপোনালোকৰ খং উঠিল, হতাশ হৈ পৰিল, নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱালে, চিঞৰিবলৈ আৰম্ভ কৰিলে, পলাব বিচাৰিলে । কিন্তু এই মানুহ জনে কেইবা বছৰৰ পৰা বিছনাত পৰি এই দৃশ্যকে চাই আছে আৰু আহিবলগীয়া কিমান বছৰ চাব লাগিব তাৰো কোনো নিশ্চয়তা নাই । কাৰণ তেওঁ বাধ্য। তেওঁ এনে এক বিৰল ৰোগত আক্ৰান্ত যে তেওঁ আপোনালোকৰ দৰে শৰীৰ টো লৰচৰ কৰিব নোৱাৰে, কথা কব নোৱাৰে উঠিব নোৱাৰে, বহিব নোৱাৰে, হাঁহিব নোৱাৰে, খং কৰিব নোৱাৰে, হতাশ হব নোৱাৰে, আনকি নিজৰ ইচ্ছাত দৃষ্টিও সলনি কৰিব নোৱাৰে । তেওঁ মাত্ৰ চাব পাৰে । তেতিয়া হ'লে অলপ অনুভৱ কৰিবলৈ চেষ্টা কৰক এই মানুহজনৰ অনুভূতি, অস্থিৰতা, দুখবোৰৰ কথা ।আপোনালোক বহুত বেছি ভাগ্যবান ।নিজৰ ইচ্ছা অনুসৰি কথা কৈছে, খোজ কাঢ়িছে, খং কৰিছে, ধৈৰ্য্য হেৰুৱাইছে। সেইকাৰণে নিজৰ জীৱনৰ সমস্যা বা দুখবোৰ গনা বন্ধ কৰক, কাৰণ প্ৰকৃততে সমস্যানো কি, দুখ কি সেই বিষয়ে আপোনালোকে ধাৰণাও কৰিব নোৱাৰে । The end . চিনেমা শেষ হ'ল ।যিমান মানুহ হলত আছিল সকলোৰে চকুত চকুলো। কোনোবাই নিজকে ভাগ্যবান বুলি ভাবি আনন্দত কান্দিছিল আৰু কোনোবাই সেই মানুহ জনৰ অস্থিৰতা, অসহায়তা, দুখবোৰ অনুভৱ কৰি কান্দিছিল।বৰ্তমান সময়ত আমাৰ জীৱনত যি বস্তুৰ অতিকৈ অভাৱ সেয়াই হ'ল সুখ। প্ৰায় ভাগ মানুহেই আজি নিজৰ জীৱনত - নিজৰ নিজৰ যুক্তিত অসন্তুষ্ট।এই বস্তুবাদী পৃথিৱীত প্ৰতিযোগিতাৰ নিগনি দৌৰৰ মাজত থাকি সুখ প্ৰকৃততে নো কি সেই বিষয়ে আমি প্ৰায় ভাগেই কোনো ধাৰণাই কৰিব নোৱাৰা হৈ পৰিছো। সুখ এনে এটা বস্তু যাক পাবলৈ সকলো বলিয়া, কিন্তু বহু কম সংখ্যক লোকেহে ইয়াক পাবলৈ সক্ষম হয় । সুখ পৰিভাষিত কৰা যিমান কঠিন, তাতোকৈ কঠিন ইয়াৰ প্ৰাপ্তি ইয়াৰ কাৰণ এয়ে যে আমি সাধাৰণতে বৈষয়িক বস্তু, সফলতা-বিফলতা বা আমাৰ সম্পৰ্কৰ টেঙা-মিঠাবোৰৰ লগত ইয়াক সাঙুৰি পেলাওঁ ।য'ত নেকি সুখ মনৰ এক অৱস্থাহে, যি আমাৰ নিজৰ লগতে আৰম্ভ হৈ নিজৰ লগতে শেষ হয়। প্ৰকৃততে সুখ মানৱ মনৰ এটা ভাব মাত্ৰ, যিয়ে জীৱনলৈ শান্তি আৰু আনন্দ কঢ়িয়াই আনে। ইয়াক শব্দৰে প্ৰকাশ কৰা সহজসাধ্য নহয়, ইয়াক কেৱল অনুভৱ কৰিবহে পাৰি।

সুখৰ ধাৰণা যিয়েই নহওক লাগিলে, সুখ আমাৰ জীৱনৰ অপৰিহাৰ্য অংগ। ইয়াৰ অবিহনে এজন ব্যক্তিৰ জীৱন জীওঁৱাৰ কোনো অৰ্থই নাই । প্ৰকৃততে সুখ আনন্দৰে এটা অৱস্থা । আমি যদি আনন্দৰ স্থিতিত থাকিবলৈ আমাৰ মগজুক প্ৰশিক্ষিত কৰোঁ, তেতিয়া হলে আমি তেনেকৈয়ে থকাতো শিকি পেলাম - কাৰণ আমাৰ মনে যি কয় আমাৰ মগজুৱে তেনেকৈয়ে ভাবিবলৈ আৰম্ভ কৰে। অৱশ্যে এয়া ইমান সহজ কথাও নহয় ।আমি সময়ে সময়ে সুখ অনুভৱ কৰোঁ, কিন্তু সেই অৱস্থাত থাকি যাব পৰাকৈ নিজক প্ৰশিক্ষিত কৰাত মাহ বা বছৰো লাগি যাব পাৰে। তলত দিয়া ধৰণে আমাৰ কিছুমান অভ্যাসে সুখক আকৰ্ষিত কৰে আৰু ইয়াক আজীৱন স্থায়ী কৰি ৰাখিব পাৰে -

১ - সুখী হোৱাৰ মূল মন্ত্ৰই হৈছে আমাৰ মনৰ সন্তুষ্টি। সৰু সৰু কথাত অধিক উৎসাহিত বা অধিক উদাস হোৱাৰ পৰিবৰ্তে আমি শান্তি আৰু সন্তুষ্টিৰ ভাৱনাক সক্ৰিয় কৰি ৰখা উচিত ।জীৱনলৈ অহা প্ৰতিটো স্থিতিতে আমি সন্তুষ্ট হৈ থকাতো অতি দৰকাৰ । আমাৰ ওচৰত যিখিনি নাই তাৰ বাবে দুখ কৰি থকাতকৈ যিখিনি আছে তাকেই বিশিষ্ট বুলি ভাবি ঈশ্বৰক তাৰ বাবে ধন্যবাদ জনোৱা উচিত । জোতা নাই বুলি দুখ কৰি থকাতকৈ জোতা পিন্ধিবলৈ যে ভৰি দুখন আছে সেই কথা ভাবি আমি জানো সন্তুষ্ট হোৱা উচিত নহয়?

২- সুখী হোৱাৰ আন এটা উপায় হৈছে বৰ্তমানত জীয়াই থকা ।আমি আমাৰ অতীতত কৰা ভুল বা আমি লোৱা ভুল সিদ্ধান্ত বোৰৰ বাবে নিজকে নিজে দোষী সজোৱাতো সমূলি বন্ধ কৰা উচিত । ভুল সকলোৰে হয়। কোনোৱেই সকলো কামতে সমানে কুশল নহয়। ঠিক তেনেকৈয়ে আমি আমাৰ আহিবলগীয়া দিনবোৰৰ বিষয়ে অধিক চিন্তা কৰি উদ্বিগ্ন হৈ থকাতো আমাৰ সুখৰ বাটৰ এক প্ৰধান অন্তৰায় । তাৰ সলনি বৰ্তমানত

(নপৃষ্ঠাত চাওক)

# সেমেকা শীত

**ময়ূৰাক্ষী গগৈ**



সময়ৰ দুৰন্ত গতিত
মোহনীয় শৰতে মেলানি মাগিলে,
একোকে উমান নিদিয়াকৈ
কেতিয়া যে ভুমুকি মাৰিলেহি
সেমেকা শীতে।
লগত লৈ আহিছে
জ্বৰ, কাঁহ, চৰ্দি যতমানে ৰোগ।
ধূলি, ধোঁৱাই আকাশ ছানি ধৰিছে,
শুকান বতৰে মনবোৰো শুকুৱাই নিছে।
ডাঠ কুঁৱলী ফালি সুৰুয ওলোৱালৈ
বাট চাওঁতে চাওঁতে,
পশ্চিম আকাশত ডুবিবই হয়।
দাৰুনীৰ হাতৰ কাঁচি হাততেই ৰয়।
শীতৰ ফৰকাল জোনাক নিশাই
ৰঙীন কৰে সেমেকা মনবোৰ।
কবিৰ কলমেৰে নিগৰি আহে
মনৰ ছন্দময় ভাৱবোৰ।

# জীৱনৰ কেনভাছত গলি আছে যি

**জাহ্নৱী কাকতি**



বহুদিনেই হ'ল
মোৰ স'তে মই
ৰাতি এটা যাপন কৰা নাই
মনত কৰা নাই
ক'ত খুলি থৈ আহিছিলোঁ
পানীৰঙৰ পোছাক
চাকি চোৰা নহ'ল
সেয়া বৰফ নে নিমখ
জীৱনৰ কেনভাছত গলি আছে যি
আজি
মোক
বিচাৰি যাম
কথা পাতিম
খেপিয়াই চাম
ভটিয়নী সোঁতত
ডুবিল নে তৰিল
মোৰ পালতৰা নাও
চিন দি থোৱাই নহ'ল যে
কিমান আছিল দীঘলীয়া
এৰি অহা সেই ঘাট
সহজ হ'ব জানো
উভতনি বাট?

লাচিত বৰফুকন ৪০০ তম জন্মজয়ন্তী

সত্যমেৱ জয়তে
অসম চৰকাৰ

**JANASANYOG- 3066/22**

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

# লাচিত বৰফুকন

**মাথোঁ এটি নাম কিম্বা নহয় এটি কথা**
**দুৰ্জেয় সাহস-বীৰত্বৰ অতুলনীয় গাথা**

বীৰযোদ্ধা লাচিত বৰফুকনৰ
প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বিনম্ৰ প্ৰয়াস



# লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্মজয়ন্তী উদযাপন



ৱেব প'ৰ্টেল
https://lachitbarphukan.assam.gov.in/

আৰু ম'বাইল এপ
Lachit Barphukan

## লাচিত বৰফুকন বিষয়ক ৰচনা লিখা কাৰ্যসূচী

- অসম বুৰঞ্জীৰ প্ৰবাদপ্ৰতিম বীৰগৰাকীৰ বিষয়ে ৰচনা লিখি তেওঁলৈ সকলো নাগৰিকৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ এক বিৰল সুযোগ
- শিক্ষাৰ্থী আৰু অন্যান্য ক্ষেত্ৰৰ নাগৰিকসকল যেনে — বিভিন্ন কৰ্মক্ষেত্ৰৰ ব্যক্তি, চাকৰিয়াল, গৃহিণী আদি সৰ্বস্তৰৰ জনতাৰ বাবে এই কাৰ্যসূচী
- ৰাজ্য, দেশ আৰু বিদেশৰ সকলো অংশগ্ৰহণকাৰীৰ বাবে এই কাৰ্যসূচী
- যিকোনো ভাষাত লাচিত বৰফুকনৰ বিষয়ে ৰচনা লিখাৰ সুবিধা
- ৰচনা লিখনৰ মাধ্যমসমূহ — চৰকাৰীভাৱে যোগান ধৰা ছপা পত্ৰ, উকা কাগজ আৰু ৱেব প'ৰ্টেলযোগে অনলাইন মাধ্যমত
- লাচিত বৰফুকনলৈ শ্ৰদ্ধাঞ্জলি জনাই লিখা এনে ৰচনা — প'ৰ্টেল আৰু এপযোগে সংৰক্ষণৰ সুবিধা

## ৱেব প'ৰ্টেল আৰু ম'বাইল এপ

- ৱেব প'ৰ্টেল (https://lachitbarphukan.assam.gov.in/) আৰু এপ (Lachit Barphukan)ৰ যোগেদি এবাৰ মাত্ৰ পঞ্জীয়ন কৰিয়েই যিকোনো এগৰাকী ব্যক্তিয়ে নিজৰ অথবা সম্পৰ্কীয় ব্যক্তিৰ লেখা আপলোড কৰিব পাৰিব
- অংশগ্ৰহণকাৰীসকলৰ বাবে এই এপ আৰু ৱেব প'ৰ্টেলে স্বয়ংক্ৰিয়ভাৱে ডিজিটেল প্ৰমাণপত্ৰ সৃষ্টি কৰিব যিখন ডাউনলোড কৰিব পৰা যাব
- দেশৰ বাহিৰৰ অংশগ্ৰহণকাৰীসকলে ই-মেইল অ' টি পি যোগে নিজৰ পঞ্জীয়ন সম্পূৰ্ণ কৰিব পাৰিব
- ৰচনা লিখোঁতে চৰকাৰীভাৱে তৈয়াৰ কৰা (ক) ছপা কাগজ (খ) অংশগ্ৰহণকাৰীৰ নিজা কাগজ (গ) ৱেবছাইটৰ অনলাইন পদ্ধতিৰে এই সুবিধা গ্ৰহণ কৰিব পাৰিব
- প্লে'ষ্টৰৰ পৰা অথবা ৱেবছাইটৰ পৰা এপ ডাউনলোড কৰি অ' টি পি-ৰ সহায়ত নিজৰ ম'বাইলত ইন্সটল কৰিব পাৰিব। এপত থকা Upload Writingৰ সহায়ত ৰচনা আপলোড কৰাৰ সুবিধা থাকিব



Powered by
AMTRON Assam Electronics Development Corporation Ltd.

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us @diprassam dipr.assam.gov.in

# আহ অ' সোণামুৱা সখি

মাধুৰী শৰ্মা সভাপণ্ডিত



এপিয়লা এপিয়লা
বুদ্ধময় মৰম লৈ
থিয় হ'লো আত্মীয়-সুহৃদয়ৰ দুৱাৰ দলিত
মোৰ খোজে খোজে আহিল বসন্ত
শৰৎৰ ওলগনি
মিচিকিয়াই সংগ দিলে
পুৱাৰ সূৰুযে।
হঠাৎ চিঞৰ এটা শুনি ঘূৰি চালো
চিৰালফটা দেখোন
ভৰিৰ তলৰ মাটি-
প্ৰতিবন্ধকতাৰ বেৰাত
হামখুৰি খাই পৰি আছে অতীত।
লালসাৰ গম্বুজটো
ভাঙিবৰ হ'ল
সোণামুৱা সখি।
চাছোন পথাৰখনে
আইৰ হাঁহি এটা হে
কেনেকৈ চাই আছে-তোলৈ-মোলৈ
হাতসাৰটি থাকিলে
এৰাবাৰী হ'ব অ' চৌদিশ।

# তুমি আকৌ আহিবা

চাহিল ইছলাম



আহিবাচোন আকৌ জোনাকৰ সান্নিধ্যত
নিশাবোৰ সজাই তুলিবলৈ..
আকৌ চিয়াঁহী হৈ মোৰ ডায়েৰী খনৰ
উকাবোৰ মচি পেলাবা..
উপন্যাসৰ চৰিত্ৰ হৈ আহি
আকৌ চিনাকি হ'বাচোন মোৰ লগত ..
আকৌ কেতিয়াবা
মই লিখা কবিতাৰ ছন্দ হৈ ৰৈ যাবা ।
তুমি আকৌ আহিবাচোন প্ৰেয়সীৰ
সাজযোৰ পিন্ধি ..
আকৌ বৰষুণ হৈ নামি হৃদয়খন
জীপাল কৰি তুলিবা ।
তোমাক লৈ ৰচা কল্পনাবোৰ
শুনিব আহিবাচোন আকৌ,
আকৌ সপোন হৈ আহি মোৰ
কাষত শুই যাবা ..
আকৌ আহিবাচোন হাস্নাহানাৰ
সুবাস হৈ
আকৌ অস্ত সূৰুযৰ ৰং হৈ
বিয়পি পৰিবা..
তুমি আকৌ আহিবা
তুমি তুমি হৈ আহিবা ..

# পত্নীৰ প্ৰতি স্বামীৰ দায়িত্ব

পৰিয়ালটি তথা স্বামীৰ দায়িত্ব বহুখিনি বাঢ়ি যায় । মাতৃ হ'বলৈ ওলোৱা ছোৱালীজনীক সম্পূৰ্ণ সহযোগিতা আগবঢ়াই যাব লাগে। পৰিয়ালটিৰ প্ৰতিটো সদস্য আৰু স্বামীয়ে । সাহস- নিৰাপত্তা দিব লাগে এই সময়ছোৱাত । স্বামীৰ সহযোগিতা অবিহনে পত্নীগৰাকীৰ এই সময়ছোৱা কঠিন হৈ পৰে । এই সময়ত অধিক যত্নৱান হৈ স্বামীয়ে সময়তে চিকিৎসকৰ ওচৰলৈ নিয়ে । খোৱা - লোৱাৰ যত্ন লোৱা, মানসিকভাৱে সাহস দিয়া আদি মুকলিকৈ কৰাটো উচিত । মানসিক ভাৱে যাতে সুস্থ হৈ থাকে তাৰ বাবে মাজে মাজে ফুৰাবলৈ নিয়াৰ ওপৰি ভাল ভাল কিতাপ পঢ়িবলৈ আনি দিব লাগে । হাঁহি- ফূৰ্তিৰ মাজেৰে পৰিৱেশটো সহজ কৰি এই সময়ছোৱা পাৰ কৰিলে যথাসময়ত এটি সুস্থ সন্তান জন্ম দি ঘৰখনত আনন্দৰ পৰিৱেশ এটি আনিব পাৰিব । তদুপৰি পিতৃৰ ঘৰখনৰ প্ৰতিও স্বামী এগৰাকীয়ে গুৰুত্ব দিলে পত্নীগৰাকীৰ মন ভালে থাকে । স্বামীৰ শহুৰ ঘৰখনৰ প্ৰতিও দায়িত্ববোধ দেখিলে পত্নীগৰাকী উৎসাহিত হৈ থাকিব ।ইয়াৰ বাবে লাগিব পতি-পত্নীৰ মিলাপ্ৰীতি, সহযোগিতা, বুজাপৰা, ইজনৰ - সিজনৰ প্ৰতি দায়িত্ববোধ । এখন ঘৰ সুস্থহৈ থাকা মাত্ৰেই এটি চুবুৰি, এখন নগৰ, এখন দেশ, এখন সমাজ সুস্থ হৈ থাকিব ।

# লাচিত ফুকন ! লাচিত ফুকন !

স্বৰ্গদেউৰ আশা ভৰষাক আগ কৰি লৈ প্ৰথম প্ৰচেষ্টাতেই ইটাখুলিৰ ৰণত জয় লাভ কৰাৰ লগতে মোগলৰ পৰা গুৱাহাটীৰ দুৰ্গক উদ্ধাৰ কৰি মোগলৰ বিপদ ঘন্টা বজাই দিছিল। তাৰ পিছত মোগলৰ লগত হোৱা আলাবৈৰ ৰণত পৰাজিত হোৱাৰ লগতে একেদিনাই আহোমৰ প্ৰায় দহ হেজাৰ সৈন্য নিধন হৈছিল।ইয়াৰ পিছত পুনৰ অসম আক্ৰমণ কৰিবলৈ মোগল সম্ৰাট ঔৰঙ্গজেবে ৰামসিংহৰ নেতৃত্বত সৈন্য বাহিনী প্ৰেৰণ কৰিছিল।এই মোগল সৈন্যৰ লগত হোৱা যুদ্ধখনেই সলনি কৰি দিছিল অসমৰ ভাগ্য। মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত ১৬৭১ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত সংঘটিত হোৱা মোগলৰ বিৰুদ্ধে জয়লাভ কৰা এই খন যুদ্ধই আছিল বিখ্যাত শৰাইঘাটৰ যুদ্ধ। এই শৰাইঘাটৰ যুদ্ধত লাচিত বৰফুকনৰ যুদ্ধক্ষেত্ৰত জয়লাভ কৰাৰ আঁৰত থকা তেখেতৰ নিপুণতা বাৰুকৈয়ে প্ৰকাশ হৈছিল। সুক্ষ্ম দৃষ্টি ভংগীৰে লক্ষ্য কৰি লাচিত বৰফুকনে অনুধাৱণ কৰিছিল যে মোগলৰ সৈন্যবাহিনী স্থলপথৰ যুদ্ধত পাকৈত যদিও জলপথৰ যুদ্ধত বিশেষ পাকৈত নহয়। যিটো কাৰণত তেখেতে একে ৰাতিৰ ভিতৰত স্থলপথৰ যুদ্ধৰ উৎসবোৰ বন্ধ কৰিবলৈ গড় নিৰ্মাণ কৰিছিল বুলি ভাবিবৰ থল আছে। কিছু সংখ্যক তথাকথিত ইতিহাসবিদে কাল্পনিক চৰিত্ৰ বুলি ঠাৱৰ কৰিব বিচৰা এই বিখ্যাত শৰাইঘাটৰ যুদ্ধৰ লাচিত বৰফুকনৰ অন্যতম পালি সেনাপতি বাঘ হাজৰিকা ওৰফে ইছমাইল চিদ্দিকীৰ সহযোগিতাও অন্যতম আছিল । এই গৰাকী পালি সেনাপতিয়ে মোগলৰ সৈন্য সকলে প্ৰাৰ্থনাত ব্যস্ত থকা সময়ত মনে মনে গৈ মোগলৰ হিলৈবোৰত পানী ঢালি থৈ আহি সেই বোৰ নিস্ক্ৰিয় কৰি পেলাইছিল বুলিও বিভিন্ন গ্ৰন্থত উল্লেখ আছে। অসমৰ ইতিহাসৰ অন্যতম এগৰাকী দেশপ্ৰেমিক প্ৰধান সেনাপতি লাচিত বৰফুকনক অসমীয়া সকলে ৰাষ্ট্ৰীয় তথা আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা বুলি নিচিন্ত মনে দাবী কৰিব নোৱাৰো। কাৰণ দোমোজাৰ কবি দেৱকান্ত বৰুৱাই তেখেতৰ "লাচিত ফুকন" নামৰ কবিতাটিত আক্ষেপেৰে অসমীয়া জাতিৰ অবক্ষয়ৰ কথা লাচিত বৰফুকনলৈ বুলি উল্লেখ কৰি কৈছে –" দেশৰ বাতৰি শুনিবানে বীৰ? নিদিও তোমাক ফাঁকি, তোমাৰ অসম নাই আৰু আজি জঁকাটোহে তাৰ বাকী "।

অসমীয়া আবেগিক জাতি বুলি বহুতে উল্লেখ কৰি নিজে দোষৰ পৰা হাত সাৰিব বিচাৰে। তেওঁলোকে প্ৰমাণ হিচাপে উল্লেখ কৰে ছশ বছৰীয়া অসম আন্দোলনৰ প্ৰসংগ। আন্দোলন হ'ল, অসম চুক্তি হ'ল, আন্দোলনৰ নেতৃত্বৰ ওপৰত অসমৰ জনতাই শাসনৰ দায়িত্ব ভাৰ অৰ্পণ কৰি অসম চুক্তি ৰূপায়ণৰ সুযোগ দিলে, এবাৰ নহয় দুবাৰকৈ। পিছে ঐতিহাসিক অসম আন্দোলনৰ মূল বিষয়বস্তু বিদেশী নাগৰিকৰ সমস্যা, আজিকোপতি সমস্যা হৈয়েই থাকিল। এই সমস্যাটি সাম্প্ৰতিক সময়ত ৰাজনীতিকৰণ হৈ গ'ল।

দেশে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা ভাৰতবৰ্ষৰ এখনি অন্যতম ৰাজ্য হিচাপে অসমৰ শাসনৰ গাদী বহুতো ৰাজনৈতিক দলে দখল কৰি কৰিলে। সেইবোৰ উল্লেখ কৰিবলৈ গ'লে প্ৰধানকৈ ভাৰতীয় জাতীয় কংগ্ৰেছ, জনতা দল, অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টীৰ নামেই তালিকাত আহিব।

ৰাজনীতিৰ জৰিয়তে দেশৰ সেৱা কৰিব বিচৰা সকলো যেন সময়ত নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰ মূল পটভূমিত থিয় হৈ থাকিব নোৱাৰে।

মূল্যবৃদ্ধি, তীব্ৰ সাম্প্ৰদায়িকতাবাদ, হত্যা, ধৰ্ষণ ইত্যাদিৰ পৰিবেশৰ মাজতো বহুতো উন্নয়ণ হৈছে। কিন্তু সাধাৰণ জনতাৰ মাজতো স্থাপন হোৱা পাৰস্পৰিক অবিশ্বাসৰ পৰিবেশটোৱে যেন ক্ৰমাণ্বয়ে গা কৰি আহিছে। সম্প্ৰীতিৰ বাণীৰে অসমক মহীয়ান কৰা শ্ৰীমন্ত শংকৰ দেৱ, শ্ৰী শ্ৰী মাধৱ দেৱ আৰু আজান ফকিৰ চাহেবৰ অসমত এচাম তথাকথিত লোকে বিভিন্ন ধৰ্মৰ সম্পৰ্কত বিতৰ্কিত মন্তব্য কৰি অসমীয়া সমাজ খনক ভাগ ভাগ কৰিব বিচাৰে যিবোৰ কথা সঁচাকৈয়ে অসহনীয় ।

অসমীয়া জাতীয়তাবাদৰ প্ৰবক্তা বুলি ভবা লোক তথা দল-সংগঠনবোৰৰ এই ক্ষেত্ৰত বহুত কৰণীয় আছে বুলি ভাবিব পাৰি । অসম প্ৰাকৃতিক সৌন্দৰ্য তথা সম্পদত সমৃদ্ধিশালী হোৱাৰ দৰে মাতৃভূমিৰ হৈ আত্মবলিদান দিয়া বীৰ-বিৰঙ্গণাৰেও সমৃদ্ধিশালী। এই ক্ষেত্ৰত বীৰ লাচিত বৰফুকনক বাটকটীয়া বুলি নিশ্চয়কৈ উল্লেখ কৰিব পাৰি। অসমৰ এই দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান তথা সচেতন ব্যক্তি সকলে প্ৰচেষ্টা হাতত লৈ এই অসমীয়া জাতিৰ গৌৰৱ বীৰ-বিৰঙ্গণা সকলৰ জীৱন আৰু কাৰ্যাৱলীৰ চৰ্চা কৰাৰ ব্যৱস্থা কৰিব লাগে। এয়া নিত্যান্তই জৰুৰী বিষয়। বিশেষকৈ অসম চৰকাৰে উদ্যোগ লৈ উদযাপনৰ ব্যৱস্থা কৰা চাৰিশ বছৰীয়া লাচিত বৰফুকনৰ জন্ম জয়ন্তীৰ সকলো কাৰ্য ক্ৰমণিকাতে অসমৰ প্ৰতিজন নাগৰিকে যোগদান কৰিব লাগে। তেতিয়াহে বীৰ লাচিত বৰফুকন কেৱল অসমতে কিয় ভাৰত তথা বিশ্ব ইতিহাসৰ এৰাব নোৱাৰা চৰিত্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিব।

# শ্ৰীমন্ত শংকৰদেৱ সংঘ পদাধিকাৰ, চকলং বিবাহ, এঘৰীয়া ইত্যাদি

অঞ্জু শাণ্ডিল্য




শেহতীয়াকৈ চকলং বিবাহ বিতৰ্কত সাঙোৰ খাই পৰিছে শ্ৰীমন্ত শংকৰদেৱ সংঘ, আহোম সম্প্ৰদায়ৰ চকলং বিবাহ অনুষ্ঠানত অংশ গ্ৰহণ কৰাৰ বাবেই চাৰিটা পৰিয়ালক শ্ৰীমন্ত শংকৰদেৱ সংঘই এঘৰীয়া কৰিছিল । এই কথাত আমাৰ বিভিন্ন সংগঠন, সাধাৰণ ৰাইজে ধিক্কাৰ দিয়াত, সমালোচনা কৰাত যোৱা ৩১ অক্টোবৰত সংবাদ মেলযোগে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ তৰফৰ পৰা আহোম সম্প্ৰদায়ৰ ওচৰত ক্ষমা প্ৰৰ্থনা বিচাৰে। কিন্তু ক্ষমা বিচৰা বাবেই পদাধিকাৰ কমলাকান্ত গগৈ আৰু সংবাদমেলখনত উপস্থিত থকা আন আন বিষয়ববীয়াকৈ শ্ৰীমন্ত শংকৰদেৱ সংঘই সংঘৰপৰা অপসাৰণ কৰাৰ কথা ভাবিছে। এইবোৰ কথাই আমাৰ মনতো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ।

যোৱা কিছুদিন ধৰি সংবাদ মাধ্যমত প্ৰকাশ প্ৰচাৰ হোৱা ঘটনা এটাই অসমতে নহয়, প্ৰবাসী অসমীয়া সকলৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। তাই আহোম সম্প্ৰদায়ৰ মাজত থকা চকলং প্ৰথাৰে অনুষ্ঠিত বিবাহ এখনত অংশ গ্ৰহণ কৰাৰ বাবেই যোৰহাটৰ এঘৰ আৰু মৰিয়নিৰ তিনিঘৰ মানুহক ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ই এঘৰীয়া কৰিছিল । অৱশেষত ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ৰ বিষয় ববীয়াই ভুল স্বীকাৰ কৰি, ৰাজহুৱাভাৱে ক্ষমা ভিক্ষা কৰিলে । কথাবোৰ সংবাদ মাধ্যমত দেখি শুনি আমাৰ মনত প্ৰশ্ন জাগিছিল - গুৰুজনাইতো মানুহৰ মাজত এনেবোৰ ভেদা - ভেদ ৰখা নাছিল ।বৰং সমাজৰ সকলো সম্প্ৰদায়ৰ লোককে সামৰি ‘বৰ অসম’ৰ ভেটি সুদৃঢ় কৰিছিল । যি গুৰুজনাৰ নামেৰে (আদৰ্শৰে!) ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ই সৃষ্টি হৈছে, সেই সংঘত গুৰুজনাৰ আদৰ্শ কিয় গ্ৰহণ কৰা হোৱা নাই?

এই সময়তে মনত পৰিছে - বৈষ্ণৱ পণ্ডিত শশীচন্দ্ৰ বৰবৰুৱালৈ। যিজন লোক ‘শ্ৰীমন্ত শংকৰদেৱ সংঘৰ’ৰ তিনিবাৰকৈ পদধিকাৰ পদত আছিল আৰু নিজে কেবাখনো চকলং প্ৰথাৰ বিবাহ অনুষ্ঠান অংশ গ্ৰহণ কৰাই নহয়, চকলং প্ৰথাৰে বিবাহো পাতিছিল, কিন্তু তেতিয়া বৰবৰুৱা দেৱক ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ই এঘৰীয়া কৰা নাছিল ।আনহাতে বৈষ্ণৱ পণ্ডিতজনা এগৰাকী জ্যোতিষ বিদ্যাত পাৰ্গত লোক আছিল ।ব্ৰাহ্মণ -দৈৱজ্ঞ সকলে কৰাবদৰে ভৱিষ্যৎবাণী কৰিছিল আৰু সোঁৰৰণী চাইছিল । যোৰহাটৰ সুবেন্দ্ৰনাথ বুঢ়াগোহাঞি পথত থাকোঁতে, বৰবৰুৱাদেৱক যোৰহাটৰ মানুহে সোঁৰৰণী চাবলৈ দিছিল । তিনিবাৰকৈ অসমৰ মুখ্যমন্ত্ৰী হোৱা তৰুণ গগৈ দেৱৰ সোঁৰৰণী চায়ো কৈছিল -“- ভাগ্যচক্ৰ বৰ ভাল এদিন তৰুণে দিল্লীৰ ৰাজ দৰবাৰত বহিবই ।” শশীচন্দ্ৰ বৰবৰুৱাৰ নামত শ্ৰীমন্ত শংকৰদেৱ সংঘই বঁটা প্ৰদান কৰি আহিছে ।

বাহ্মণবাদকো নমনা ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ই সোঁৰৰণী চোৱা - মঙল চোৱা শশীচন্দ্ৰ বৰবৰুৱাক ‘সংঘ’ৰ পৰা বিস্তাড়িত কৰা নাছিল । অথবা এঘৰীয়া কৰা নাছিল । আৰু ব্ৰাহ্মণ - দৈৱজ্ঞ সকলে কৰাবদৰে জ্যোতিষ শাস্ত্ৰমতে নাইবা তাই - আহোম প্ৰথামতে, কুকুৰা কাটি মঙল চাইছিল নে তাৰো বিচাৰ কৰা নাছিল। নে শশীচন্দ্ৰ বৰুৱা পদাধিকাৰ হৈ থকা সময়ত ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ যি নীতি - নিয়ম আছিল সেইবোৰ এতিয়া বেলেগ হ’ল ? আমি জনামতে, ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ৰ মূল উদ্দেশ্যবিলাকৰ দুটামান আছিল এনেধৰণৰ —

“ শ্ৰীমন্ত শংকৰ দেৱৰ ধৰ্মাদৰ্শ দেশে - বিদেশে, জাতি-বৰ্ণ নিৰ্ধেশেষে সকলোৰে মাজত প্ৰচাৰ কৰি মানৱ সমাজক একতাৰদ্ধ কৰা।”

“ শ্ৰীমন্ত শংকৰ দেৱ মাধৱদেৱ মহাপুৰুষ দুজনাৰ নামত সাম্প্ৰদায়িক বা জাতি বিদ্বেষমূলক কথা, জালৰ-পুথি আৰু অপপ্ৰচাৰ আদিৰ অশাৰতা প্ৰতিপন্ন কৰা।”

“ শ্ৰীমন্ত শংকৰ দেৱৰ আদৰ্শৰে সমাজৰ পৰা অস্পৃশ্যতা দূৰ কৰা। ” (‘মহাপুৰুষ শংকৰদেৱ - মাধৱদেৱ আৰু ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ, ’ ডক্টৰ ৰাতুল চন্দ্ৰ বৰা, ’ ‘সেতুবন্ধ’, পৃ.১৭৬)

আমি ‘শ্ৰীমন্ত শংকৰদেৱ সংঘ’ৰ বিৰোধী নহয়, বৰং ১৯৩০ চনৰ পৰা যিবিলাক ভাল কাম কৰিছে, তাৰ বাবে সংঘৰ ওচৰত কৃতজ্ঞ, কিন্তু বৰ্তমান অসমখনক নানা সমস্যাই আবৰি ধৰিছে, সেইবোৰ সমস্যাৰ সমাধান কৰাততহে সংঘই গুৰুত্ব দিয়া । কোনে চকলং বিয়াত অংশ গ্ৰহণ কৰিলে, কোনে কুকুৰা ফাৰ্ম, গাহৰি ফাৰ্ম খুলিলে, তাৰবাবে সেইসকলক এঘৰীয়া কৰা আদি কথাত লাগি থকাতকৈ অসমৰ সৰ্বাংগীন উন্নতিৰ কথা ভাবক। এক বিশ্বস্ত সূত্ৰে জনা হৈছে, বৰবৰুৱাদেৱৰ ওচৰলৈ সোঁৰৰণী চোৱাবলৈ শ্ৰীমন্ত শংকৰদেৱ সংঘৰো বহু লোক আহিছিল আৰু বিধান অনুসৰি ব্ৰাহ্মণ, গণক আদিক দান দক্ষিনা কৰিছিল।গ্ৰহশান্তি কৰাইছিল। সকলবোৰ কিন্তু সংঘৰ পৰিয়ালতে আছিল। কোনোলোকেই এঘৰীয়া হোৱা নাছিল। এতিয়া এই অবিচাৰ কিয়?

# তোমাৰ অপেক্ষা

মৈত্ৰেয়ী কৈৰী



ভাল লগাবোৰ আকৌ উভতি আহক  
তোমাৰ নামেৰে ...  
য’ত এৰি থৈ গৈছিলা....তাৰ পৰাই আৰম্ভ কৰোঁ  
আহাঁচোন আকৌ,  
চোৱাচোন সকলোবোৰ একেই হৈয়ে আছে...  
তোমালৈ চাই বৈ যোৱা নৈখন,  
সেই কৃষ্ণচূড়াজোপা...  
আৰু... আৰু তুমি তুমি লগা সেই অনুভৱবোৰ ।  
উভতি আহাচোন আকৌ এবাৰ...  
চোৰানা তুমি আহিবা বুলি শেৱালী বুটলিছিলো...  
তুমি নহাত মৰহি গ’ল সকলো ..  
দুবৰি বনৰ নিয়ৰৰ টোপালৰ মাজতো  
তোমাক উভতাই পোৱাৰ সপোনবোৰে  
মিচিকিয়াই হাঁহিছে।  
তুমি বোলে আকৌ আহিবা হেনো ...  
ৰাতিপুৱাৰ বৰষুণজাকে কৈ গ’ল মোক  
তুমি আহিবা বুলিয়ে যেন মনটোৱে নাচিছে  
দুপাখি মেলি।  
আজিকালি অন্ধকাৰৰ মাজতো তোমাকে  
বিচাৰি ফুৰো মই ।  
তোমালৈ ৰাখি থৈছোঁ মোৰ কবিতাৰ  
এমুঠি আলসুৱা সুকীয়া সম্ভাৰ ।  
তুমি হেনো আকৌ উভতি আহিবা ....  
ৰাতিপুৱাৰ বৰষুণজাকে কৈ গ’ল মোক।

# আমি বাৰু সুখীনে?

জীয়াই থাকক। জীৱনলৈ অহা প্ৰতিটো আনন্দৰ মুহূৰ্ত অৱহেলা নকৰি উদ্‌যাপন কৰক ।

৩- সুখৰ আন এটা উপায় হৈছে সদায় সকাৰাত্মক হৈ থকা ।আমাৰ বিচাৰে আমাৰ বাস্তৱিকতা তৈয়াৰ কৰে । সকাৰত্মক মন আৰু বিচাৰে সকাৰত্মক বস্তুক আকৰ্ষণ কৰে আৰু নকাৰত্মক বিচাৰে নকাৰত্মক অনুভৱ আনে। সেইকাৰণে সুখ অনুভৱ কৰিবলৈ আপোনাৰ আশেপাশে থকা সকলোৰে বিষয়ে ভাল ভাবক । যিসকল লোকে আমাক সদায় নিৰুৎসাহিত কৰে তেনে লোকৰ পৰা আঁতৰত থাকি সকাত্মক বিচাৰৰ লোকৰ সৈতে সময় কটাৱক। নকৰিত্মক চিন্তা মনত লালন পালন কৰা, জীৱনৰ বেয়া পৰিস্থিতিৰ বাবে চিন্তিত আৰু উদ্বিগ্ন হৈ থকাতো সহজ। তাৰ সলনি আমাৰ জীৱনৰ ভাল কথা বোৰ আৰু সময় বোৰ মনত ৰখাৰ অনুশীলনে আমাৰ মনক নকাৰত্মকৰ পৰা সকাৰত্মক অৱস্থালৈ স্থানান্তৰিত কৰাত সহায় কৰিব ।

৪ - সুখী হোৱাৰ আন এটা উপায় হ’ল কৃতজ্ঞ হোৱা ।আমাৰ জীৱনৰ সৰু - ডাঙৰ যি কোনো বিপদত বা আমাৰ জীৱনৰ বেয়া সময়ত আমাক সহায় কৰা প্ৰতিজন ব্যক্তিৰ প্ৰতি আমি কৃতজ্ঞতা প্ৰকাশ কৰা উচিত। অতীতৰ প্ৰতিটো ক্ষণ আৰু সঠিক নিৰ্ণয়, যি আমাক আনন্দ দিয়ে সেয়া মনত পেলোৱা আৰু এনে সুখৰ ক্ষণ পোৱাৰ বাবে ভগৱানৰ ওচৰতো আমি কৃতজ্ঞতা প্ৰকাশ কৰা উচিত। কৃতজ্ঞতা প্ৰকাশে আমাৰ মনত অনাবিল আনন্দ দিয়ে যি আমাক সুখী হোৱাত সহায় কৰে। আমি জীৱনত প্ৰকৃত সুখ তেতিয়াহে পাম যেতিয়া আমি বুজি পাম যে সুখ আমাৰ নিজৰ মনৰ ভিতৰতে আছে যাক কোনো বাহ্যিক বস্তুৰ পৰা বা আনৰ সহায়ত উপলব্ধি কৰিব পৰা নাযায় । সৃষ্টিকৰ্তাই সৃষ্টি কৰোঁতে সকলোকে নিজৰ নিজৰ সৌন্দৰ্য্য, বিশেষত্ব, সামৰ্থ্য, ক্ষমতা ইত্যাদি দিছে। সকলোৰে কিবা নহয় কিবা এটা ধনাত্মক দিশ আছে । গতিকেই বন্ধু বান্ধৱীসকল - “ Be yourself. Beauty begins the moment you decide to be yourself .” নিজৰ সত্বাক উপলব্ধি কৰি সুখী হোৱাতোৱেহে জ্ঞানী লোকৰ কাম ।

# ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে অসমৰ সংবাদ জগতৰ দুই মহীৰূহ সাংবাদিকক আই চি আই চি আই বেংকৰ সম্বৰ্দ্ধনা




ৰঙিলী বাৰ্তাসেৱা- সমগ্ৰ দেশৰ লগতে অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উৎযাপন কৰা হয়। এই উপলক্ষে আই চি আই চি আই বেংকৰ তৰফৰ পৰা দুটা পৃথক গাম্ভীৰ্যপুৰ্ণ অনুষ্ঠানত অসমৰ দুজন বিশিষ্ট সাংবাদিক বুদ্ধিজীৱী ক্ৰমে দৈনিক অগ্ৰদূত কাকতৰ মুখ্য সম্পাদক কনকসেন ডেকা আৰু জ্যেষ্ঠ সাংবাদিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীক বেংকটোৰ পাঞ্জাবাৰী আৰু কাহিলীপাৰা শাখাত সম্বৰ্দ্ধনা জনোৱা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ জ্যেষ্ঠ মহাপ্ৰবন্ধক নয়নজ্যেতি দাসৰ তত্বাৱধানত অনুষ্ঠিত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ মহাপ্ৰবন্ধক জনে আই চি আই চি আই বেংক কৰ্তৃপক্ষই জ্যেষ্ঠ নাগৰিক আৰু সমাজৰ প্ৰতি আগবঢ়োৱা বৰঙণিৰ বিষয়ে চমু বক্তব্য দাঙি ধৰে। জ্যেষ্ঠ বিষয়া জনে আৰম্ভণিতে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে সমূহ সাংবাদিক আৰু সংবাদ কৰ্মীলৈ শুভেচ্ছা জ্ঞাপন কৰে। দুয়োটা অনুষ্ঠানতে উপস্থিত থকা জ্যেষ্ঠ সাংবাদিক তথা হিন্দী দৈনিক কাকতৰ ৰাষ্ট্ৰীয় খবৰ পুৰ্বোত্তৰ সংবাদদাতা ভূপেন গোস্বামীক বিশেষ ভাৱে আদৰণি জনোৱা হয়। পাঞ্জাবাৰী শাখাৰ প্ৰবন্ধক জ্যেতিময় হাজৰিকা আৰু কাহিলীপাৰা জটিয়া শাখাৰ প্ৰবন্ধক অমল দত্তই আঁত ধৰা অনুষ্ঠানত দুয়োগৰাকী অসমৰ মহীৰূহ সাংবাদিকক গামোচা, চেলেং চাদৰ শৰাই - জাপি আৰু সম্বৰ্দ্ধনা প্ৰত্ৰৰে শুভেচ্ছা জ্ঞাপন কৰে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি দৈনিক অগ্ৰদূত কাকতৰ মুখ্য সম্পাদক কনকসেন ডেকাই বৰ্তমান সাংবাদিকতা আৰু অতিতৰ সাংবাদিকতা ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে বেংক কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে । ডেকাই ভাষণ প্ৰসংগত আৰু কয় যে সংবাদ মাধ্যম যদি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হয়, সংবাদ মাধ্যমে যদি নিজৰ স্বাধীনতাৰ কথা উচ্চাৰণ কৰে তেন্তে সংবাদ মাধ্যমেও নিজকে অসৎ আচৰণ আৰু বে -আইনী কামৰ পৰা আঁতৰাই ৰাখিব লাগিব। বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীয়ে নিজৰ চমু বক্তব্যত উল্লেখ কৰে যে বহুতে আনক হানি কৰাৰ লক্ষ্য ৰাখি সাংবাদিকতা কৰে। এনে প্ৰৱণতা সাংবাদিকতাৰ ক্ষেত্ৰখন লৈ অশনি সংকেত। তেওঁ আৰু কয় যে সাংবাদ মাধ্যমে স্বাধীনতা বিচাৰিলেই নহ'ব, সংবাদ মাধ্যম সমূহ নিজেও দায়বদ্ধ হ'ব লাগিব। অনুষ্ঠানত আই চি আই চি আই বেংকৰ আঞ্চলিক প্ৰবন্ধক অমিত ডালমিয়া, জ্যেষ্ঠ নাগৰিকবিজয় কৃষ্ণ দেৱ শৰ্মা, গোপাল চন্দ্ৰ মেধি, ইলা ৰাজখোৱা, মিনা শৰ্মা, গকুল চন্দ্ৰ গোস্বামী প্ৰমুখ্যে ভালেমান গণ্য মান্য লোক উপস্থিত থাকে।

## মিজোৰামত শিলৰ কুঁৱেৰী খহি জীৱন্তে পোত গ'ল ১২ জনকৈ শ্ৰমিক



ৰঙিলী বাৰ্তাসেৱা- মিজোৰামৰ হনাথিয়েল জিলাৰ মৌদাৰগাঁৱত খহি পৰা শিলৰ কুঁৱৰীৰ ধ্বংসাৱশেষৰ পৰা তিনিটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াকে লৈ বৰ্তমানলৈকে ১১ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু এজন লোক এতিয়াও সন্ধানহীন হৈ আছে বুলি জিলাখনৰ অতিৰিক্ত উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। বিএছএফ, অসম ৰাইফলছ, এনডিআৰএফ, ৰাজ্যিক আৰক্ষী আৰু জিলা প্ৰশাসনৰ দলসমূহে ব্যক্তিজনৰ মৃতদেহ উদ্ধাৰৰ বাবে তালাচী অভিযানত নিয়োজিত হৈ আছে বুলি অতিৰিক্ত উপায়ুক্তগৰাকীয়ে লগতে কয়। জানিব পৰা মতে, হনাথিয়েল জিলাৰ মৌদাৰহৰ ব্যক্তিগত কোম্পানীৰ বাবে কাম কৰিছিল। মিকসকলে। তেওঁলোকে মধ্যাহ্ন ভোজনৰ বিৰতিৰ পৰা উভতি অহাৰ পাছতেই এই ঘটনা সংঘটিত হয়।

## কাৰ্টুনিষ্ট নুৰুল ইছলামলৈ ত্ৰৈলোক্য দত্ত সোঁৱৰণী চিত্ৰশিল্পী বঁটা



ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা আৰু অমূল্য কাকতি বঁটা প্ৰাপক, শিল্পী পেঞ্চনাৰ তথা কাঁহুদী, সময়ৰ শৰৰ উপৰি কাৰ্টুন জগতৰ ধ্ৰুৱতৰা প্ৰখ্যাত কাৰ্টুনিষ্ট ত্ৰৈলোক্য দত্ত সোঁৱৰণী " চিত্ৰশিল্পী বঁটা ২০২২" ৰ বাবে কাৰ্টুনিষ্ট, ব্যংগ লেখক তথা সাংবাদিক নুৰুল ইছলাম'ক নিৰ্বাচিত কৰা হৈছে । বিশিষ্ট কাৰ্টুনিষ্ট গৰাকীৰ পৰিয়ালৰ ফালৰ পৰা উক্ত বঁটাটি আগবঢ়োৱা হ'ব। অহা ২০ নৱেম্বৰত গুৱাহাটীৰ চান্দমাৰীস্থিত পেঞ্চনাৰ ভৱনত অনুষ্ঠিত হ'বলগীয়া চেমনীয়া সকলৰ বৌদ্ধিক বিকাশৰ অন্যতম মঞ্চ সোণপৰুৱাৰ হাঁহিৰ প্ৰথম বাৰ্ষিক অধিৱেশনৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ কাৰ্যসূচীত উক্ত বঁটাটি প্ৰদান কৰা হ'ব বুলি প্ৰয়াত শিল্পী গৰাকীৰ ভতিজা বিশিষ্ট লেখিকা ড° নঞ্জু দত্ত আৰু সোণপৰুৱাৰ হাঁহি অনুষ্ঠানটিৰ সভাপতি শুক্লেশ্বৰ নাথ তথা সম্পাদক উষামণি শইকীয়াই জনাইছে।

## হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ভূপেন বৰাই

ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে আগন্তুক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ২০২৬ ৰ বিধানসভাৰ নিৰ্বাচনত জালুকবাৰী সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী হ'ব ভূপেন বৰা। কালি জালুকবাৰী সমষ্টিত ভাৰত জোৰো যাত্ৰাত অংশগ্ৰহণ কৰি এই ঘোষণা কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে। 'মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব, ময়ো সেই সমষ্টিত তেওঁৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিম।'এইদৰে কয় ভূপেন বৰাই।

## ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছ চেম্পিয়নশ্বিপৰ সামৰণি

ৰঙিলী বাৰ্তাসেৱা- অসম এথলেটিকছ সন্থাৰ উদ্যোগত ১১ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা ৩৭ সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় এথলেটিকছ প্ৰতিযোগিতাৰ বুধবাৰে সফল সামৰণি পৰে। গুৱাহাটীৰ পল্টনবজাৰস্থিত ছাই খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাখনত ২৮ খন ৰাজ্যৰ ২১১৩ গৰাকী এথলীটে অংশগ্ৰহণ কৰে। ১৪, ১৬, ১৮, ২০ অনুৰ্দ্ধ বয়সৰ লৰা-ছোৱালী উভয়ৰে মাজত অনুষ্ঠিত প্ৰতিযোগিতাখনত হাৰিয়ানাই সৰ্বমুঠ ৪৭৮ পইণ্টেৰে চেম্পিয়ন দলৰ খিতাপ লাভ কৰে। চেম্পিয়ন দলৰ লগতে হাৰিয়ানাই সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনেৰে লৰাৰ ১৮ আৰু ২০ বছৰ অনুৰ্দ্ধ শাখাৰ লগতে ছোৱালীৰ ১৪, ১৬ আৰু ১৮ আৰু ২০ বছৰ অনুৰ্দ্ধ শাখাৰ শ্ৰেষ্ঠ দলৰ খিতাপো হাতত তুলি লয়। আনহাতে প্ৰতিযোগিতাৰ শেষৰ দিনটোত পুৰুষৰ ২০ বছৰ অনুৰ্দ্ধ শাখাৰ ত্ৰিপল জাম্পত ১৫.৫৭ মটাৰ জপিয়াই অসমৰ জংছাৰ বসুমতাৰীয়ে লাভ কৰে ব্ৰঞ্জৰ পদক। সামৰণি অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট অতিথি সকলে পদক বিজয়ী খেলুৱৈসকলক পদকসমূহ প্ৰদান কৰে। এই প্ৰতিযোগিতাত অসমৰ ৬৫ জনীয়া এথলীটৰ দলে অংশগ্ৰহন কৰিছিল। ইপিনে এই প্ৰতিযোগিতাত বহুকেইগৰাকী নতুন এথলীটে ভিন্ন ইভেণ্টত নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হয়।

## গুজৰাট বিধানসভা নিৰ্বাচন

অব্যাহত থাকিলে বিশ্বৰ তৃতীয় অৰ্থনীতিৰ দেশ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলত নতুন ৰে'লপথ, ৰাষ্ট্ৰীয় ঘাইপথ আৰু বিমানবন্দৰ বিকশিত হৈছে। ৰে'ল অথবা বিমান ব্যৱহাৰৰ কাৰণে য'ত কোনো সুবিধা নাছিল, উত্তৰ-পূবৰ তেনে স্থানত ২০১৬ চনৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবেই নতুন ৰে'লপথ, ৰাষ্ট্ৰীয় ঘাইপথ, বিমানবন্দৰ নিৰ্মাণ হৈছে। অনেক নিৰ্মাণ প্ৰকল্প চলি আছে। আনপিনে, ভাৰত জোড়ো যাত্ৰা কৰি থকা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীক কঠোৰ ভাষাৰে সমালোচনা কৰিছে ড° শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাহুল গান্ধীক কটাক্ষ কৰি কয়- গুজৰাটত নিৰ্বাচন কিন্তু তেওঁ(ৰাহুল গান্ধী) দক্ষিণত ঘূৰি আছে। যেতিয়া হিমাচল প্ৰদেশত নিৰ্বাচন হৈছিল, তেতিয়া তেওঁ কেৰালাত আছিল। ড্ৰেছিং ৰুমৰ পৰা তেওঁ ওলাই আহিব নিবিচাৰে। তেওঁ খেল খেলিব নিবিচাৰে। আনপিনে, হিন্দুত্ববাদী নেতা বীৰ ছাভাৰকাৰক লৈ কৰা ৰাহুল গান্ধীৰ মন্তব্য সন্দৰ্ভতো ড° শৰ্মাই অঞ্জৰ জিলাৰ কুছত কয়- ৰাহুল গান্ধী ভাৰতীয় ইতিহাসৰ কোনো জ্ঞান নাই। বীৰ ছাভাৰকাৰৰ আদৰ্শক লৈ তেওঁ যিধৰণৰ শব্দ ব্যৱহাৰ কৰিছে, তেওঁ ৰাষ্ট্ৰবিৰোধী, হিন্দুবিৰোধী। ইয়াৰ বাবে জনতাই প্ৰত্যুত্তৰ দিব।

## ENGLISH NEWS SECTION

# Review meeting by SITA's Co-Vice Chairman Dhruba Prasad Baishya at Udalguri




Guwahati ,RB News- Aayog (SITA) Co-Vice Chairman Dhruba Prasad Baishya visited Udalguri district today and held a meeting in the Conference Hall of the Deputy Commissioner, Udalguri to review the status of the schemes and projects under Aspirational District Programme. The meeting was attended by the Deputy Commissioner, Udalguri Dr. Sadnek Singh,IAS and all Heads of development Departments. The Hon'ble Co-Vice Chairman Dhruba Prasad Baishya reviewed the progress of the indicators of five sectors of the Aspirational district.In the meeting, Sri Baishya interacted with the officials of development departments and forward his views and suggestions to the various schemes and also raised his queries to Health department regarding the Atal Amrit Yojana and Ayushman Bharat and also regarding the immunization programme in the district. He also enquired about the propects of organic farming and about PM Kishan of the Agriculture department and also regarding the Fish farming in the district. He enquired about the start-up programme in the district and advised them to take appropriate action against the willful defaulters of bank loans. The Project Director, DRDA coordinated the meeting. Sri Biraj Boruah, ACS, Sri G.G Das, Advisor (F &A), SITA, Sri D,S Hazari, ARO SITA and other officials of District Administration attended the review meeting.

# Donald Trump Back On Twitter After Elon Musk's Poll

RB News- Donald Trump's notorious Twitter account was reinstated Saturday after the platform's new owner Elon Musk ran a poll in which a narrow majority of voters supported the move, days after the former US president announced another White House bid. Trump's account was banned from the platform early last year for his role in the January 6 attack on the US Capitol by a mob of his supporters seeking to overturn the results of the 2020 election.

(source - google)

# Ballon d'Or winner Karim Benzema ruled out of 2022 FIFA World Cup

RB News- France striker Karim Benzema, who won the Ballon d'Or award this year, has been ruled out of 2022 FIFA World Cup in Qatar after tearing a muscle in his left thigh during training on Saturday. It will now be the first time since 1978 that the reigning Ballon d'Or winner will not feature in the World Cup.

(source - google)

# JAA & NUJI observed National Press Day

Guwahati ,RB News- National Press Day was observed on the office premises of the Journalists Association of Assam (JAA) collaboration with the National Union of Journalist India, NUJI under the Presidentship of President Dhirendra Nath Chakravartty. Where appointed speaker and National Vice President of NUJI cum Chief Adviser of JAA Bhupen Goswami delivered the keynote speech on this year's theme, "Safety of media fraternity".In his speech Goswami said that the last 13 years, 17 media houses and 1086 journalists have been attacked. So we need a protective act immediately, He dwelt at length about the challenges faced by the journalists of the country due to Corona pandemic. President Dhirendra Nath Chakravartty spoke on the significant role of the press in building a society with positive thought and creative writing. The NUJI and JAA reiterated its demand for a Journalists Protection Act and Media Council to ensure the safety and end "impunity" for attacks on journalists. A statement from unions said that the media is now the nerve centre of our society and that it plays a vital role in disseminating information to the people. The meeting also expressed serious concern over the killing of journalists and atrocities on media fraternity.

# India reports 492 new COVID-19 cases

RB News- India reported 492 new COVID-19 cases in the last 24 hours, according to the Ministry of Health and Family Welfare. The number of active COVID-19 cases in the country stands at 6,489.The death count climbed to 5,30,574 with four fatalities.

(source - google)

# Indian paddler Manika Batra loses in semis of Asian Cup



RB News-Table tennis player Manika Batra, who became the first Indian woman to reach the semi-final of Asian Cup, lost to world number five Mima Ito of Japan 8-11, 11-7, 7-11, 6-11, 11-8, 7-11 in Bangkok on Saturday. With this, the Indian campaign ended at the tournament. Earlier, Sharath Kamal and Sathiyan Gnanasekaran lost in the first round of men's singles.

(source - google)

# Ministry of Parliamentary Affairs developed two Web Portals to celebrate Constitution Day

Guwahati, RB News- The Constitution Day is celebrated every year on 26 th November to commemorate the adoption of the Constitution of India. This year the Constitution Day is being celebrated on the subject of "India- the Mother of Democracy". The ministry of Parliamentary Affairs, Govt. of India has developed two web Portals which are accessible to everybody and anyone can participate and get certificate of participation. Regarding online reading of Preamble to the Constitution in 22 Official Languages and English readpreamble.nic.in and for online quiz on 'India-the Mother of Democracy' constitutionquiz.nic.in has developed.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

৩ আঘোণ ১৪২৯ চন Rongili Barta, Date of Publication--20 November,2022


# কাহিলিপাৰৰ সৰ্বশিক্ষা অভিযানৰ কাৰ্যালয়ৰ সন্মুখত শিক্ষকৰ প্ৰতিবাদ

ৰঙিলী বাৰ্ত্তাসেৱা- কাহিলিপাৰৰ সৰ্বশিক্ষা অভিযানৰ কাৰ্যালয়ৰ সন্মুখত শিক্ষকৰ প্ৰতিবাদ। সৰ্বশিক্ষা অভিযানৰ অধীনত থকা বিশেষ টেট শিক্ষকসকলে প্ৰতিবাদ কৰে। ৰাজ্যত বিশেষ টেটৰ অধীনত মুঠ ৬৬৭ গৰাকী শিক্ষক আছে। এই বিশেষ টেট উত্তীৰ্ণ শিক্ষকসকলে চৰকাৰে দীৰ্ঘদিন ধৰি প্ৰতাৰণা কৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰে। প্ৰাৰ্থীসকল সৰ্বশিক্ষা অভিযানৰ কাৰ্যালয়ৰ সন্মুখত সমৱেত হৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ সময়তে আৰক্ষীয়ে তেওঁলোকক বাধা প্ৰদান কৰে। প্ৰতিবাদী কাৰ্যসূচী আৰম্ভ হোৱাৰ লগে লগে আৰক্ষীয়ে বিশেষ টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলক আটক কৰি চচলৈ লৈ যায়। অৱশ্যে পৰৱৰ্তী সময়ত তেওঁলোকে চচলস্থিত নিৰ্ধাৰিত ধৰ্ণাস্থলীত উত্তাল বিক্ষোভ প্ৰদৰ্শন কৰে। আমাক ন্যায় দিয়ক, প্ৰতিশ্ৰুতি মতে নিযুক্তি দিয়ক আদি শ্লোগানেৰে প্ৰতিবাদী প্ৰাৰ্থীসকলে চচলৰ আকাশ-বতাহ কঁপাই তোলে। উল্লেখ্য যে অসম চৰকাৰে সৰ্বশিক্ষা অভিযান মিছনৰ অধীনত ঠিকাভিত্তিকভাৱে কাম কৰা ১৪, ৫৭৫ জন ইউনিক আই ডিপ্ৰাপ্ত প্ৰাৰ্থীৰ বাবে ২০২১ বৰ্ষৰ ৩ অক্টোবৰত বিশেষ টেট অনুষ্ঠিত কৰিছিল। এই টেটত ৬৬৭জন প্ৰাৰ্থী উত্তীৰ্ণ হৈছিল । এনেদৰে বিশেষ টেটত উত্তীৰ্ণ হোৱা সত্ত্বেও প্ৰাৰ্থীসকলক চৰকাৰে প্ৰতিশ্ৰুতি মতে নিযুক্তি প্ৰদান নকৰাত তেওঁলোকৰ মাজত হাহাকাৰ পৰিস্থিতি সৃষ্টি হয়।

# Guidance Academy ত শিশু দিৱস উৎযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাধীন ভাৰতৰ প্ৰথমজন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৰ জন্ম দিনটো সমগ্ৰ ভাৰতবৰ্ষতে শিশু দিৱস হিচাপে পালন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি নগাঁৱৰ এখন অতি আগশাৰীৰ বিদ্যালয় Guidance Academy তো শিশু দিৱস অতি উলহ মালহেৰে পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ অধ্যক্ষদ্বয় ক্ৰমে বিনা শইকীয়া আৰু প্ৰয়াগ জ্যোতি শইকীয়াই পণ্ডিত নেহেৰুৰ কৰ্ম জীৱনৰ ওপৰত আলোকপাত কৰি তেওঁলোকৰ সাৰুৱা বক্তব্য কণ কণ মইনা সকললৈ আগবঢ়ায়। পৰৱৰ্তী পৰ্য্যায়ত বিদ্যালয়খনৰ কণ কণ মইনা সকলে বিভিন্ন গীত, নৃত্য, বক্তৃতাৰে সম্পূৰ্ণ অনুষ্ঠানতো উদ্ভাষিত কৰি তোলে। কণ কণ মইনা সকলৰ অন্ত নিহিত প্ৰতিভা সমূহ দেখি সকলো আপ্লুত হৈ পৰে। অন্যহাতে বিদ্যালয় খনে Class 1 অৰ পৰা Class 5 অৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক বিকাশৰ উদ্দেশ্যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ স্থান বৰদোৱালৈ যোৱা ১২ নৱেম্বৰ তাৰিখে এক শিক্ষামূলক ভ্ৰমণৰ আয়োজন কৰে। “আজিৰ শিশু কালিলৈ দেশৰ ভৱিষ্যত” কথাষাৰ যথাৰ্থ প্ৰতিপন্ন কৰি Guidance Academyৰ কণ কণ শিশু সকলৰ বিভিন্ন দিশত উৎকৰ্ষ সাধনৰ বিভিন্ন পদক্ষেপক সকলোৱে ভূয়সি প্ৰশংসা কৰে তথা অদূৰ ভৱিষ্যতেও এনে ধৰণৰ শিশু সকলৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধন কৰিব পৰা বিভিন্ন পদক্ষেপৰ অন্তঃকৰণেৰে কামনা কৰে।

# মহাবীৰ লাচিত

নিতিস্মান দাস,
অষ্টম শ্ৰেণী



মোৰ দেশৰ মহাবীৰ, লাচিত বৰফুকন,
লাচিত নাম শুনি শত্ৰুৰ কম্পন।
দেহৰ কথা নাভাবি দেশক কৰিছিল ৰক্ষা,
লাচিতৰ মহান ইতিহাস এবাৰ চোৱা।
কোন অতীতৰ এইজন আছিল ৰণুৱা,
উজাগৰে লাচিতে দেশক, কৰিছিল ৰক্ষা।
লাচিতৰ নাম আছে অসমীয়াৰ তেজে তেজে,
লাচিতৰ নাম আছে অসমীয়াৰ হৃদয়ে হৃদয়ে।
লুইতৰ সোঁতত যেন সোণালী পোহৰ,
শৰাইঘাটত লাচিতৰ স্মৃতি এতিয়াও অমৰ।
শৰাইঘাটৰ মহাৰণৰ কথা শুনিছানে তুমি,
মনত পৰিছেনে সেই যুগমীয়া স্মৃতি।
বৰ লুইতৰ বুকুত লাচিতে যুদ্ধ কৰিছিল,
মোগলক লাচিতে অসমীয়াৰ বল দেখাইছিল।
কৈছিলা দেশতকৈ মোমাই ডাঙৰ নহয়,
তোমাৰ বাবে আমাৰ নিশ্চিত আছিল জয়।
অসীম সাহসেৰে মোগলক জিনিলা,
অসমী আইক তুমি লাচিত! ৰক্ষা কৰিলা।
তুমি বিনে লাচিত! অসম আধৰুৱা,
মোগল সৈন্যক তুমি পৰাস্ত কৰিলা ।
অসমীয়াক সাহসৰ কত বাণী কৈছিলা,
অসমীয়াক লাচিত তুমি! সাহস দিছিলা।
নৰিয়া শৰীৰেও তুমি যুদ্ধ কৰিছিলা,
অসমীয়া সেনাক মনোবলৰ ধল বোৱালা।
লাচিত তোমাক জনালোঁ শত-কৌটি প্ৰণাম,
ইতিহাসত সোণালী আখৰে অমৰ তোমাৰ নাম ।






# মোক নাৱত শুৱাই দিয়া

সদা সচেতন আমাৰ মাননীয় মুখ্যমন্ত্ৰী গৰাকীয়ে লোৱা এই পদক্ষেপ সচাই প্ৰশংসনীয়। তাৰোপৰি ৪০০ বছৰীয়া জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান ৰাজধানী চহৰত পতাৰ সিদ্ধান্তই আমালৈ সুখৰ বতৰা কঢ়িয়াই আনিছে। এই জনা বীৰক দেশে চিনি পাওঁক সমগ্ৰ বিশ্বই চিনি পাওঁক। এইয়া আমাৰ কাম্য।

**#Beauty of the Week, #Art of the Week আৰু # Photography of the Week লৈ আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক**
**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**


ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286